Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MARCH 29, 2025 ■ শনিবাৰ, ১৫ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯১ Guwahati, Assam ।। মূল্যঃ এটকা

## নিমিষতে ধ্বংসস্তূপত বিলীন বহুমহলীয়া অট্টালিকা, ভাঙি চুৰ্মৈ দলং-বাসগৃহ

# ম্যানমাৰত মৃত্যুৰ আৰ্তনাদ!
# প্ৰবল ভূমিকম্পত মৃত্যু শতজনৰ

## বেংককতো ধ্বংসলীলা, অসম-পশ্চিমবংগতো অনুভূত কম্পন

**ভূমিকম্পৰ ফলত ম্যানমাৰ-বেংককত, আহত ৭ শতাধিক, জৰুৰীকালীন অৱস্থা ঘোষণা**

নেইপিড', ২৮ মাৰ্চঃ চকুৰ পচাৰতে ধ্বংসস্তূপত বিলীন হ'ল এখন চহৰ। খহি পৰিল ওখ ওখ অট্টালিকা, ভাঙি পৰিল দলং! মধ্য ম্যানমাৰত একেৰাহে ছটা প্ৰবল ভূমিকম্পই শুকুৰবাৰে সমগ্ৰ দেশতে বিভীষিকা নমাই আনে। শেষাংশ ৩ পৃষ্ঠাত



ম্যানমাৰত ভূমিকম্পৰ বিধ্বংসী ৰূপ

## বাৰ কাউন্সিল ত্যাগ মহাধিবক্তা শইকীয়াৰ

ই-সংবাদ, ২৮ মাৰ্চঃ আজি ৰাজ্যৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই বাৰ এছচিয়েশ্যনৰ পৰা পদত্যাগ কৰিছে। ৪ পৃষ্ঠাত

## উমিয়ামত উদ্ধাৰ অপহৃত ফখৰুদ্দিন

ই-সংবাদ, ২৮ মাৰ্চঃ এদিন পূৰ্বে গুৱাহাটী মহানগৰীত চাঞ্চল্যকৰ অপহৰণ বলি এজন ৪ পৃষ্ঠাত

## ক'লে ছুপ্ৰিম ক'ৰ্টে

## বাক স্বাধীনতা ৰক্ষা আদালতৰ প্ৰধান দায়িত্ব

নতুন দিল্লী, ২৮ মাৰ্চঃ বাক স্বাধীনতা ৰক্ষাৰ প্ৰাথমিক দায়িত্ব গ্ৰহণ কৰিব লাগিব আদালতেই! আজি কংগ্ৰেছৰ লোকসভাৰ সাংসদ তথা মুখপাত্ৰ ইমৰান প্ৰতাপগড়ীৰ শেষাংশ ২ পৃষ্ঠাত

## দ্বিতীয়টো গোচৰতো জামিন দিলোৱাৰৰ, পুৱাই ঘৰ-দোকানত তালাচী, জব্দ ২খন ডাম্পাৰ



ই-সংবাদ, ২৮ মাৰ্চঃ চৰকাৰে ৰঙা চকু দেখুৱালেও ন্যায়ালয়ে পুনৰ সকাহ দিলে জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক। দিলোৱাৰ হুছেইন মজুমদাৰক দ্বিতীয়টো গোচৰতো জামিন মঞ্জুৰ কৰিছে আদালতে। ২৭ মাৰ্চৰ ১৭নং পৃষ্ঠাত

## সাংবাদিক গ্ৰেপ্তাৰ! অসন্তুষ্ট গোঁহাই

## 'এয়া এজন ব্যক্তিৰ স্বৈৰাচাৰিতাৰ প্ৰমাণ'



ই-সংবাদ, ২৮ মাৰ্চঃ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰৰ বিৰুদ্ধে নাগৰিক সমাজে আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বিশিষ্ট বুদ্ধিজীৱী ৪ পৃষ্ঠাত চাওক

## সাংবাদিক গ্ৰেপ্তাৰ!


## ক'লা বেজ পিন্ধি প্ৰতিবাদৰ আহ্বান গুৱাহাটী প্ৰেছ ক্লাবৰ

ই-সংবাদ, ২৮ মাৰ্চঃ আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীতো সাংবাদিক গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত শেষাংশ ২ পৃষ্ঠাত

## প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙক জামিন

## দুদিনত ওপৰা-ওপৰিকৈ আৰক্ষীৰ গালত পৰিল দুটা চৰ!

ই-সংবাদ, ২৮ মাৰ্চঃ দুটাকৈ গোচৰত মুখথেকেচা খালে অসম চৰকাৰে। সাংবাদিক দিলোৱাৰ হুছেইনক কঠোৰ ধাৰাত গ্ৰেপ্তাৰ কৰিও মুখথেকেচা খাবলগীয়া হৈছে অসম চৰকাৰ তথা আৰক্ষী। অনুসূচিত জাতি-জনজাতি (অত্যাচাৰ নিবাৰণ) শেষাংশ ৩ পৃষ্ঠাত



## অস্পৃশ্য কানহাইয়া কুমাৰ! গংগা জলেৰে 'শুদ্ধি' দুৰ্গা মন্দিৰ

পাটনা, ২৮ মাৰ্চঃ দলিত কানহাইয়া কুমাৰে ভৰি দিয়াৰ বাবেই গংগা জলেৰে 'শুদ্ধি' কৰা হ'ল দুৰ্গা মন্দিৰ! বিহাৰৰ বানগাঁও গ্ৰামত দুৰ্গা মন্দিৰত সংঘটিত এই শেষাংশ ২ পৃষ্ঠাত

## বায়ু সেনাৰ বিৰুদ্ধে সহস্ৰাধিক জনতাৰ গৰ্জন!

ই-সংবাদ, ২৮ মাৰ্চঃ বিধানসভাৰ ভিতৰত নিৰ্দিষ্ট ধৰ্মাৱলম্বীক টাৰ্গেট কৰি লৈ জনজাতীয় লোকৰ কথা কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সাংবাদিকক গ্ৰেপ্তাৰ কৰিবলগীয়া হ'লে আৰু মুখ্য বিৰোধী দল কংগ্ৰেছৰ নেতাক গ্ৰেপ্তাৰ কৰিবলগীয়া হ'লে অনুসূচিত জাতি-জনজাতিৰ আইনৰ আশ্ৰয় লৈ অহা পৰিলক্ষিত হৈছে। কিন্তু ৫ পৃষ্ঠাত

**'তেজ দিম, মাটি নিদিও' হুংকাৰ, সোনাপুৰ-ডিগাৰুত বায়ু সেনা বিষয়া-কৰ্মচাৰীক নিদিয়ে ভাৰাঘৰ, শাক-পাচলি বিক্ৰী নকৰে ৰাইজে**

## দিলোৱাৰ সাংবাদিক নে ব্যৱসায়ী নে অধিবক্তা?

## প্ৰেছ ক্লাবক প্ৰশ্ন পীযুষৰ

গুৱাহাটী, ২৮ মাৰ্চঃ এপেক্স বেংকৰ কেলেংকাৰীক লৈ প্ৰশ্ন কৰাটোৱেই সাংবাদিক দিলোৱাৰৰ বিৰুদ্ধে হৈ পৰিছে ডাঙৰ অপৰাধ। সাংবাদিকগৰাকীক শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাক স্বাধীনতা ৰক্ষা আদালতৰ

গোচৰত এই গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে উচ্চতম ন্যায়ালয়ে। গুজৰাটৰ জামনগৰত ইমৰানৰ বিৰুদ্ধে ইনষ্টাগ্ৰামত কবিতা পোষ্ট কৰাৰ বাবে এফআইআৰ দাখিল কৰা হয়। কিন্তু উচ্চতম ন্যায়ালয়ে এই গোচৰ খাৰিজ কৰি স্পষ্ট কৰি দিয়ে যে মত প্ৰকাশৰ স্বাধীনতাক ইচ্ছামতে ৰোধ কৰিব নোৱাৰি। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অভয় এছ ওকা আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠে শুনানি গ্ৰহণ কৰে। ন্যায়াধীশসকলে কয় যে অভিযুক্তৰ বিৰুদ্ধে কোনো অপৰাধৰ প্ৰমাণ পোৱা নাই, বৰঞ্চ আৰক্ষীয়ে অতিৰিক্ত উৎসাহৰ বাবেই ব্যৱস্থা গ্ৰহণ কৰিছিল। আদালতে কয়, "বাক আৰু চিন্তাৰ স্বাধীনতা অবিহনে মৰ্যাদাৰে জীয়াই থকাটো অসম্ভৱ। সুস্থ গণতন্ত্ৰত মতানৈক্যৰ বিৰোধিতা যুক্তিৰে কৰা উচিত, দমনৰ জৰিয়তে নহয়। সংবিধানৰ ১৯(২) অনুচ্ছেদ ১৯(১) অনুচ্ছেদত সন্নিবিষ্ট অধিকাৰৰ ওপৰত কেতিয়াও প্ৰাধান্য পাব নোৱাৰে।" শেহতীয়াকৈ কমেডিয়ান কুনাল কামৰাৰ সৈতে জড়িত ঘটনাই দেশ কঁপাই তুলিছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেক 'দেশদ্ৰোহী' বুলি অভিহিত কৰাৰ বাবে কুনালে সমৰ্থকৰ ক্ষোভৰ সন্মুখীন হ'বলগীয়া হৈছে। এনে পৰিস্থিতিত বাক স্বাধীনতাৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণক ৰাজনৈতিক মহলে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰিছে। প্ৰসংগক্ৰমে গুজৰাট উচ্চ ন্যায়ালয়ে ইমৰান প্ৰতাপগড়ীৰ বিৰুদ্ধে দাখিল কৰা এফআইআৰ খাৰিজ কৰিবলৈ সন্মত নহ'ল। আদালতৰ তথ্য অনুসৰি ইমৰানে জনপ্ৰতিনিধি হিচাপে দায়িত্বহীন আচৰণ কৰিছিল। কিন্তু অৱশেষত উচ্চতম ন্যায়ালয়ৰ ৰায়ত সকাহ পালে কংগ্ৰেছৰ সাংসদগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ক'লা বেজ পিন্ধি প্ৰতিবাদৰ আহ্বান

হয়। গুৱাহাটী প্ৰেছ ক্লাবে আজিৰে পৰা ৩০ মাৰ্চলৈ কৰ্তব্যৰত অৱস্থাত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কৰি যোৱাৰ সিদ্ধান্ত লৈ সকলো সাংবাদিকক এই নিৰ্দেশনা পালনৰ আহ্বান জনায়। আনহাতে দিছপুৰ প্ৰেছ ক্লাবত আজি বাতৰি সংগ্ৰহ কৰিবলৈ অহা সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি মৌন প্ৰতিবাদ সাব্যস্ত কৰে। বাতৰি সংগ্ৰহৰ সময়ত একত্ৰিত সাংবাদিকসকলে ক'লা বেজ লগাই মৌন প্ৰতিবাদ জনাই গ্ৰেপ্তাৰ কৰা সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক মুকলি কৰি দিয়াৰ দাবী জনায়। ইপিনে গুৱাহাটী প্ৰেছ ক্লাবৰ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ পুনৰ গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ লগতে এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰে। জৰুৰী সভাত দিলোৱাৰ হুছেইন মজুমদাৰক পুনৰ আটক কৰাৰ পিছৰ পৰিস্থিতি অধ্যয়ন কৰি কাৰ্যসূচী ঘোষণা কৰা বুলি কয়। ২৮ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈ কৰ্তব্যৰ সময়ত সকলো সাংবাদিকক ক'লা বেজ পৰিধান কৰিবলৈ আহ্বান জনায়। ৩০ মাৰ্চৰ পুৱা ১১.৩০ বজাত প্ৰেছ ক্লাবৰ বাকৰিত এখন সাংবাদিকৰ সভা আহ্বান কৰিছে। সভাত যোৱা ২৬ মাৰ্চৰ তাৎক্ষণিক সভাত লোৱা সিদ্ধান্ত বিতং আলোচনা কৰি প্ৰস্তাৱ গৃহীত কৰি স্মাৰকপত্ৰ হিচাপে সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব ক্লাবে। সভাৰ বিষয় হ'ব 'সাংবাদিকে কৰ্মৰত অৱস্থত পাবলগা নিৰাপত্তা'। সকলো কাৰ্যসূচীতে সমূহ সাংবাদিকৰ উপস্থিতি কামনা কৰিছে গুৱাহাটী প্ৰেছ ক্লাবে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অস্পৃশ্য কানহাইয়া! গংগা জলেৰে

চাঞ্চল্যকৰ ঘটনাৰ ভিডিঅ' ভাইৰেল হোৱাৰ পিছতে ৰাজনৈতিক মহলত বিতৰ্কৰ সৃষ্টি হৈছে। একবিংশ শতিকাৰ এই অস্পৃশ্যতাক লৈ বিজেপি চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে কংগ্ৰেছে। কংগ্ৰেছে প্ৰশ্ন কৰিছে, "কেৱল বিজেপি সমৰ্থকহে পবিত্ৰ নেকি, আৰু বাকীবোৰ অস্পৃশ্য?" উল্লেখ্য যে শেহতীয়াকৈ কংগ্ৰেছ নেতা কানহাইয়া কুমাৰে বিহাৰত 'পলায়ন ৰ'কো, নকৰি দো' অভিযান আৰম্ভ কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে তেওঁ দুৰ্গা মন্দিৰৰ গাতে লাগি থকা অঞ্চলত এখন সভা অনুষ্ঠিত কৰে। কিন্তু তেওঁৰ ভাষণ শেষ হোৱাৰ লগে লগে স্থানীয় একাংশ লোকে মন্দিৰ চৌহদ চাফা কৰাৰ কামত নামিল। তেওঁলোকে দাবী কৰে যে মন্দিৰটো গংগা পানীৰে 'শুদ্ধি' কৰা হৈছে। কেৱল মন্দিৰতে নহয়, চাৰিওফালৰ পথাৰতো পানী ঢালি দিয়া হয়। সেই দৃশ্যৰ ভিডিঅ' ছ'চিয়েল মিডিয়াত বিয়পি পৰাৰ লগে লগে ৰাজনৈতিক মহলত আলোড়নৰ সৃষ্টি হয়। এই ঘটনাক লৈ কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দলৰ মুখপাত্ৰ জ্ঞানৰঞ্জন গুপ্তাই কয়, "আমি জানিব বিচাৰো, কেৱল বিজেপি-আৰএছএছৰ সমৰ্থকহে পবিত্ৰ নেকি, বাকীসকল অস্পৃশ্য নেকি? এই ঘটনা পৰশুৰামৰ উত্তৰাধিকাৰীক অপমান। এতিয়া বিজেপি বিৰোধী লোকসকলক সমাজৰ পৰা আঁতৰাই ৰখাৰ চেষ্টা চলিছে নেকি?" অৱশ্যে কানহাইয়া কুমাৰে এই ঘটনা সন্দৰ্ভত এতিয়াও মাত মতা নাই। অৱশ্যে বিজেপিয়ে ইয়াক ৰাজনৈতিক ৰং দিয়াৰ ইচ্ছাকৃত প্ৰয়াস বুলি প্ৰতি অভিযোগ উত্থাপন কৰে। বিজেপিৰ মুখপাত্ৰ অসিত নাথ তিৱাৰীয়ে কয়, "ভিডিঅ'টোৰ সত্যতা পৰীক্ষা কৰা উচিত। যিসকলে এই শুদ্ধিকৰণ কৰিছিল তেওঁলোকৰ পৰিচয় তদন্ত কৰা উচিত। যদি সঁচাকৈয়ে কানহাইয়াৰ উপস্থিতিৰ পিছত মন্দিৰটো ধুই পেলোৱা হৈছিল, তেন্তে ইয়াৰ অৰ্থ হ'ল তেওঁৰ ৰাজনৈতিক মতাদৰ্শক মানুহে নাকচ কৰিছে।" এই বিতৰ্ক তীব্ৰতৰ হৈ পৰিছে যদিও স্থানীয় প্ৰশাসনে এই পৰ্যন্ত কোনো মন্তব্য কৰা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিলোৱাৰ সাংবাদিক নে

কাৰাগাৰৰ কুঠৰীত ভৰাই ৰখাৰ চেষ্টাত কোনো ত্ৰুটি ৰখা নাই চৰকাৰ-প্ৰশাসনে। দিলোৱাৰ হুছেইন মজুমদাৰৰ ওপৰত আৰক্ষীয়ে জাপি দিয়া ইটোৰ পিছত সিটো গোচৰৰ মাজতে এইবাৰ সাংবাদিকগৰাকীক লৈ প্ৰশ্ন তুলিছে জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই। গুৱাহাটী প্ৰেছ ক্লাবৰ দৃষ্টি আকৰ্ষণ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰশ্ন তুলিছে- এজন ব্যক্তি একে সময়তে সাংবাদিক, ব্যৱসায়ী আৰু অধিবক্তা হ'ব পাৰেনে? তেওঁৰ প্ৰশ্ন- দিলোৱাৰ হুছেইন আচলতে সাংবাদিক নেকি, নে তেওঁ কেৱল এজন ব্যৱসায়ী আৰু অধিবক্তা যিয়ে নিজৰ স্বাৰ্থক আগুৱাই নিবলৈ পৰ্দাৰ আঁৰত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে? বৃহস্পতিবাৰে জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই ছ'চিয়েল মিডিয়াত পোষ্ট কৰি লিখে, "মই পুনৰ গুৱাহাটী প্ৰেছ ক্লাব, প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ- দিলোৱাৰ হুছেইন কোনো সাংবাদিক নহয় বুলি স্পষ্ট নহয় নেকি? অধিবক্তা হোৱাৰ উপৰি বস্ত্ৰৰ পৰা পৰিবহণ ক্ষেত্ৰলৈ তেখেত ব্যৱসায়ৰ সৈতে জড়িত। তেওঁ মানুহক বিভ্ৰান্ত কৰিবলৈ নাইবা ভয়-ভাবুকিৰে ব্যৱসায় সম্প্ৰসাৰণ কৰিবলৈ এটা প'ৰ্টেলৰ আঁৰত আশ্ৰয় লৈছিল নেকি? এই কথাবোৰ স্পষ্ট কৰিবলৈ আহ্বান জনাইছোঁ।" শুকুৰবাৰে পুনৰ সাংবাদিকৰ সন্মুখত উপস্থিত হৈ তেওঁ এই প্ৰশ্নৰ উত্তৰ বিচাৰি কয় যে এই বিষয়ত গুৱাহাটী প্ৰেছ ক্লাবৰ পৰা স্পষ্ট উত্তৰ আশা কৰিছে। আনহাতে, দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰক লৈ বিতৰ্ক তীব্ৰতৰ হৈ পৰিছে। উল্লেখ্য যে জাতীয় যুৱ বাহিনীৰ নেতৃত্বত এপেক্স বেংকৰ কেইবা কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ সময়ত এই কেলেংকাৰী সন্দৰ্ভত পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াক প্ৰশ্ন কৰিছিল সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰে। ইয়াৰ পিছতে সাংবাদিকগৰাকীক বেংকৰ ভিতৰলৈ মাতি নি নথি-পত্ৰ চুৰিৰ চেষ্টা চলোৱা, বড়ো উপাধিৰ এজন ছিকিউৰিটী গাৰ্ডক জাতপাতক লৈ গালি পৰাৰ অভিযোগ উত্থাপন কৰে বেংক কৰ্তৃপক্ষই। কিন্তু সাংবাদিকগৰাকীক ভুৱা গোচৰত আবদ্ধ কৰাৰ অভিযোগ উত্থাপন হৈছে আৰু সাংবাদিক গ্ৰেপ্তাৰৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত ৰাখিছে সাংবাদিকসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ম্যানমাৰত মৃত্যুৰ আৰ্তনাদ!

স্থানীয় সময় অনুসৰি দিনৰ ১২.৫০ বজাত অহা ৭.৭ প্ৰাবল্যৰ ভয়াৱহ ভূমিকম্পত কমেও ১৪৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৭৩২ জন আহত হোৱা বুলি দেশখনৰ চৰকাৰী সূত্ৰই সদৰী কৰিছে। আমেৰিকাৰ ভূতাত্ত্বিক জৰীপ বিভাগে জনোৱা মতে, ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল ছাগাইঙৰ উত্তৰ-পশ্চিমে ১০ ৰ পৰা ৩০ কিলোমিটাৰ (৬ৰ পৰা ১৮ মাইল) গভীৰতাত। এই ভূমিকম্পৰ পিছতে ৰাজধানী নেইপিড'ৰ এখন চিকিৎসালয়ত এশৰো অধিক আহত লোকক ভৰ্তি কৰা হৈছে। আহতসকলৰ বহুসংখ্যক লোকৰ অৱস্থা এই মুহূৰ্তত সংকটজনক, যাৰ বাবে নিহতৰ সংখ্যা অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। ইফালে মণ্ডলেৰ এটা মছজিদ ভাঙি আবদ্ধ হৈ পৰিছে বহু লোক। তদুপৰি বিশ্ববিদ্যালয়ৰ এটা ভৱনত অগ্নিকাণ্ড সংঘটিত হয়। এই ভয়াৱহ পৰিস্থিতিৰ মাজতে সামৰিক শাসক মিন আং হ্লাইঙে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি আন্তঃৰাষ্ট্ৰীয় সহায়ৰ বাবে আবেদন জনাইছে। ইফালে ম্যানমাৰৰ সীমান্তৰ সিপাৰে উত্তৰ থাইলেণ্ডতো এই ভূমিকম্পৰ কম্পন অনুভূত হয়। বেংককক ধৰি কেইবাখনো চহৰত মেট্ৰ' আৰু ৰে'ল সেৱা সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী ফাথংথাইন শ্বিনাৱাট্ৰাই জৰুৰী বৈঠকৰ অন্তত বেংককত জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। বেংককত ভূমিকম্পৰ ফলত এটা অট্টালিকা ভাঙি ৩ জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। চীনৰ ইউনান প্ৰদেশতো ভূমিকম্পৰ প্ৰবল কম্পন অনুভৱ কৰা হয়। চীন ভূমিকম্প নেটৱৰ্ক চেণ্টাৰে (চিইএনচি) জনোৱা মতে, ভূমিকম্পৰ প্ৰাবল্য আছিল ৭.৯। তদুপৰি পশ্চিমবংগৰ কলকাতা, মণিপুৰৰ কিছু অংশ, বাংলাদেশৰ ঢাকা আৰু চট্টগ্ৰামতো মৃদু কঁপনি অনুভূত হয়। অসমতো ঠায়ে ঠায়ে অনুভূত হয় কম্পন। এতিয়ালৈকে চীন বা আন কোনো দেশৰ পৰা কোনো লোকৰ মৃত্যুৰ খবৰ অহা নাই। অৱশ্যে ক্ষতিৰ পৰিমাণ বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্যোগৰ পিছত ম্যানমাৰক সকলো ধৰণৰ সহায়ৰ আশ্বাস দিছে। ছ'চিয়েল মিডিয়াত তেওঁ লিখিছে, 'প্ৰাৰ্থনা কৰক, সকলোৱে সুৰক্ষিত থাকক, আমি সহায় কৰিবলৈ সাজু। ইউৰোপৰ কেইবাখনো দেশেও ম্যানমাৰক সাহায্য আগবঢ়াইছে। ভূমিকম্পৰ ভয়াৱহতা বিভিন্ন ভিডিঅ'ত বন্দী হৈছে। ছ'চিয়েল মিডিয়াত প্ৰচাৰিত একাধিক ছবিত দেখা গৈছে যে বেংকক আৰু অন্যান্য চহৰত আতংকিত হৈ ৰাজপথলৈ ওলাই আহিছে জনতা। এজন বাসিন্দাই কয় যে "মই শুই আছিলো আৰু হঠাতে ভূমিকম্প অনুভৱ কৰিলোঁ। পাইজামা পিন্ধি বাহিৰলৈ দৌৰিলোঁ।" এটা ভয়ংকৰ ভিডিঅ'ত দেখা গৈছে বেংককৰ এটা ওখ অট্টালিকা কঁপি উঠা। ইয়াৰ উপৰি নিৰ্মাণৰত ৩০ মহলীয়া অট্টালিকা ভাঙি পৰাৰো খবৰ পোৱা গৈছে। বেংককৰ চাটুচাক অঞ্চলত ভাঙি পৰা অট্টালিকাত আবদ্ধ হৈ আছে ৮৪ জন শ্ৰমিক। থাইলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী ফুথাম ৱেচাচাইচাইয়ে কয় যে ধ্বংসাৱশেষৰ তলত আবদ্ধ লোকৰ সংখ্যা আৰু অধিক হ'ব পাৰে। আৰক্ষীৰ এগৰাকী জ্যেষ্ঠ বিষয়াই কয় যে "যেতিয়া মই সেই স্থানত উপস্থিত হৈছিলো, তেতিয়া বহুতে চিঞৰিছিল, সহায়ৰ বাবে কাতৰ অনুৰোধ কৰিছিল। চূড়ান্ত হতাহতৰ সংখ্যাক লৈ আমি এতিয়াও নিশ্চিত হ'ব পৰা নাই।" আনহাতে ম্যানমাৰৰ ধ্বংসলীলা আৰু ভয়ানক। ৰাজধানীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে এশৰো অধিক আহত। একাধিক ভিডিঅ'ত দেখা গৈছে চিকিৎসালয়খনৰ জৰুৰীকালীন বিভাগৰ প্ৰৱেশদ্বাৰত ধ্বংসাৱশেষৰ তলত পোত যোৱা এখন গাড়ী। ৰাজপথত ৰোগীক চিকিৎসা কৰি আছে চিকিৎসকে। মণ্ডলেৰ সমীপৰ ইৰাৱাডী নদীৰ ওপৰত এখন পুৰণি দলং ভাঙি গৈছে। বহু আৱাসৰ ক্ষতি হৈছে। মণ্ডলে বিমানবন্দৰৰ ব্যাপক ক্ষতি হয়। শ্বান ৰাজ্যৰ টাউংগ্যী চহৰৰ সমীপত এটা বৌদ্ধ মঠ ভাঙি পৰিছে। ক্ষতিগ্ৰস্ত পথৰ বাবে ম্যানমাৰৰ ইয়াংগন আৰু মণ্ডলেৰ মাজত যোগাযোগ বিঘ্নিত হোৱাৰ ফলত উদ্ধাৰ প্ৰচেষ্টাত বাধাৰ সৃষ্টি হৈছে। ভূমিকম্পপ্ৰৱণ অঞ্চল হিচাপে পৰিচিত ম্যানমাৰত বিগত সময়ত কেইবাটাও বৃহৎ ভূমিকম্পৰ সন্মুখীন হৈছে। ১৯৩০ চনৰ পৰা ১৯৫৬ চনৰ ভিতৰত ছাগাইং ফল্ট লাইনৰ ওচৰত ৭.০ বা তাতকৈ অধিক প্ৰাবল্যৰ ছটা প্ৰবল ভূমিকম্প সংঘটিত হয়। ২০১৬ চনত প্ৰাচীন চহৰ বাগানত ৬.৮ প্ৰাবল্যৰ ভূমিকম্পত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে বহু ঐতিহাসিক গঠনৰ ক্ষতি হৈছিল। বৰ্তমান ভূমিকম্পই বিধ্বস্ত কৰা অঞ্চলসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। ঘটনাস্থলীত উপস্থিত হৈ সেনা আৰু উদ্ধাৰকাৰী দলে কাম আৰম্ভ কৰিছে। অৱশ্যে ব্যাপক ক্ষয়-ক্ষতিৰ বাবে উদ্ধাৰ অভিযানত বাধাৰ সৃষ্টি হৈছে। আশংকা কৰা হৈছে যে এতিয়াও বহু লোক ধ্বংসাৱশেষৰ তলত আবদ্ধ হৈ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙক

আইন, ১৯৮৯ ৰ ধাৰা ৩(১)(আৰ)ৰ অধীনত আৰু ডকাইতিৰ ধাৰাত গোচৰ ৰুজু কৰিও দিলোৱাৰক জিম্মাত ল'ব নোৱাৰিলে। কিন্তু আদালতে দুয়োটা গোচৰত দিলোৱাৰক জামিন প্ৰদান কৰিছে। চৰকাৰে অনুসূচিত জাতি-জনজাতি অত্যাচাৰ নিবাৰণ আইন জাপি দি দীৰ্ঘদিন জেলত ৰখাৰ যি ফান্দ পাতিছিল সেয়া বিফল হৈছে। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক অনুসূচিত জাতি-জনজাতি অত্যাচাৰ নিবাৰণ আইনত গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু গোচৰ মানি নলৈ একেটা দিনতে জামিন লাভ কৰে। আদালতে দিলোৱাৰক দুয়োটা গোচৰত জামিন প্ৰদানৰ পিছতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা শান্তনু বৰঠাকুৰে কাৰোৱে নাম নোলোৱাকৈ ন্যায়ালয়ে ওপৰা-ওপৰিকৈ দুটা চৰ দিয়া বুলি মন্তব্য প্ৰদান কৰিছে। দিলোৱাৰৰ দৰেই অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙৰ বিৰুদ্ধেও অনুসূচিত জাতি-জনজাতি অত্যাচাৰ নিবাৰণ আইনৰ অধীনত গোচৰ ৰুজু কৰিছিল। আজি সিঙকো জামিন প্ৰদান কৰিছে। ৰীতম সিঙে জেইলত থাকিল মাত্ৰ ১৫ দিন। প্ৰকৃততে এনে কঠোৰ আইনত গ্ৰেপ্তাৰ কৰা লোকক সহজতে জামিন প্ৰদান নকৰে আদালতে। কিন্তু দুয়োজনকে জামিন প্ৰদান কৰা কাণ্ডই এটা কথা প্ৰমাণ কৰে যে ৰাজনৈতিক ষড়যন্ত্ৰৰ ফলত গোচৰ জাপি দিলেও আদালতত সেয়া প্ৰমাণ কৰিব নোৱাৰিলে গোচৰ বৰ্তি নাথাকে আৰু দিলোৱাৰ হুছেইন মজুমদাৰক ২ দিন বন্দী কৰি ৰাখিবলৈ সক্ষম হয়। প্ৰকৃততে চৰকাৰী পক্ষই বেয়াকৈ মুখথেকেচা খাইছে। দিলোৱাৰ হুছেইনক বেংকৰ এজন বড়ো জনগোষ্ঠীৰ ছিকিউৰিটিক 'বড়ো জাতি হৈ তুমি বেছি কৰা' এনে মন্তব্য প্ৰদান কৰা বুলি অভিযোগ আনিছিল বেংক কৰ্তৃপক্ষই। জনজাতীয় লোকক অপমান কৰাৰ অভিযোগত শিশুপাল বড়ো নামৰ বেংকৰ ছিকিউৰিটিৰ এজাহাৰৰ ভিত্তিত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰ ধাৰাত গোচৰ ৰুজু কৰা হয়। যিটো গোচৰ জামিনযোগ্য নাছিল। কিন্তু আদালতে লগে লগে জামিন প্ৰদান কৰিছিল। দুয়োজন ব্যক্তিৰ বিৰুদ্ধে ৰাজনৈতিক ষড়যন্ত্ৰৰে গোচৰ ৰুজু কৰাৰ অভিযোগ উঠিছিল। কিয়নো এপেক্স বেংকৰ দুৰ্নীতিৰ বাতৰি কৰিবলৈ গৈছিল দিলোৱাৰ হুছেইনে। এপেক্স বেংকৰ অধ্যক্ষ হৈছে বিজেপিৰ বিধায়ক বিশ্বজিৎ ফুকন। এজন লোকে ২০ কোটি টকা ঋণ নোলোৱাকৈ শাখাৰ মেনেজাৰৰ সহায়ত বেংকৰ পৰা তুলি নিছে। লগতে বেংকটোৰ দাতা মজুতকৰণৰ বাবে প্ৰায় ২৮ কোটি টকীয়া কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উঠিছে। যাৰ বাবে বিজেপি বিধায়কৰ দুৰ্নীতি ঢাকিবলৈ সাংবাদিকক টাৰ্গেট কৰা বুলি অভিযোগ উঠিছে। বহু বিতৰ্কিত বিজেপি বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে সামাজিক মাধ্যমত তথ্য উন্মোচন কৰি গ্ৰেপ্তাৰ হৈছিল অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিং। ১৫ মাৰ্চত সিঙক গ্ৰেপ্তাৰ কৰি লখিমপুৰ সত্ৰ ন্যায়াধীশৰ আদালতে হাজিৰ কৰোৱাত ২৯ মাৰ্চলৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল। লখিমপুৰ আৰক্ষীয়ে ১৫ মাৰ্চত গুৱাহাটীৰ নিজ বাসভৱনৰ পৰা বলপূৰ্বক গ্ৰেপ্তাৰ কৰি লখিমপুৰলৈ লৈ গৈছিল ৰীতম সিঙক। কংগ্ৰেছৰ মুখপাত্ৰজনৰ বিৰুদ্ধে বিধায়ক মানৱ ডেকাৰ পত্নী ৰাজশ্ৰী শইকীয়াই লখিমপুৰ সদৰ থানাত এক গোচৰ ৰুজু কৰিছিল। বিধায়কৰ পত্নীৰ গোচৰৰ ভিত্তিত লখিমপুৰ আৰক্ষীয়ে ৰীতম সিঙক গুৱাহাটীৰ পৰা লখিমপুৰলৈ লৈ যায়। ৰীতমে এক্সত বিধায়কজনৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ ৰুজু হৈ থকাৰ অভিযোগ অনাৰ লগতে 'ঘৰজোঁৱাই' বুলি অভিযোগ আনিছিল। বিধায়ক পত্নীয়ে এই অভিযোগে বিধায়ক আৰু তেওঁৰ মানহানি হোৱা বুলি গোচৰ ৰুজু কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাৰ কাউন্সিল ত্যাগ মহাধিবক্তা

মহাধিবক্তা দেৱজিৎ শইকীয়াই আনুষ্ঠানিকভাৱে বাৰ এছ'চিয়েশ্যনৰ সভাপতি কমল নয়ন চৌধুৰীক পদত্যাগ-পত্ৰ প্ৰদান কৰিছে। গৌহাটি উচ্চ ন্যায়ালয়ৰ স্থানান্তৰ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ নীতি সন্দৰ্ভত আৰু বাৰ এছ'চিয়েশ্যনে কৰা সংঘাতৰ কথা উল্লেখ কৰি অসমৰ এডভোকেট জেনেৰেল দেৱজিৎ শইকীয়াই বাৰ এছ'চিয়েশ্যনৰ পৰা পদত্যাগ কৰিছে। তেওঁ কয় যে এডভোকেট জেনেৰেল হিচাপে তেওঁ চৰকাৰৰ নীতিসমূহক সমৰ্থন কৰিবলৈ বাধ্য। উচ্চ ন্যায়ালয়ৰ স্থানান্তৰ সম্পৰ্কীয় নীতিসমূহ মানিবলৈ বাধ্য। বাৰ এছ'চিয়েচনৰ সদস্য হিচাপে থাকি বিষয়টোত বেলেগ স্থিতি লোৱাত জটিলতাৰ সৃষ্টি হ'লহেঁতেন বুলি উল্লেখ কৰি কয় যে এডভোকেট জেনেৰেল হিচাপে মই উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ ক্ষেত্ৰত চৰকাৰৰ নীতি মানিবলৈ বাধ্য। এনে পৰিস্থিতিত বাৰ এছ'চিয়েশ্যনৰ সদস্য হৈ থকাটো মোৰ বাবে কঠিন হ'ব। বাৰ এছ'চিয়েশ্যনৰ বিপৰীত স্থিতি গ্ৰহণ কৰি শইকীয়াই পদত্যাগ কৰি প্ৰস্তাৱিত উচ্চ ন্যায়ালয়ৰ স্থানান্তৰক লৈ আইনী সমাজ আৰু চৰকাৰৰ মাজত বৰ্ধিত বিভাজনৰ ওপৰত আলোকপাত কৰি কয় যে ইয়াৰ দ্বাৰা আইনী সমাজৰ ভিতৰত বিতৰ্কৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এয়া এজন ব্যক্তিৰ স্বৈৰাচাৰিতাৰ

হীৰেন গোহাঁইৰ লগতে কেইবাগৰাকী বিশিষ্ট নাগৰিকৰ উপস্থিতিত আজি গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদমেল সম্বোধন কৰি সাংবাদিকৰ প্ৰতিবাদৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায় নাগৰিক সমাজে। বিশিষ্ট বুদ্ধিজীৱী ড০ হীৰেন গোহাঁইসহ কেইবাগৰাকীও বিশিষ্ট নাগৰিকে দিলোৱাৰৰ গ্ৰেপ্তাৰক গৰিহণা দিয়ে। ড০ হীৰেন গোহাঁয়ে দিলোৱাৰৰ গ্ৰেপ্তাৰ কেৱল সাংবাদিক সমাজৰ বাবেই নহয় সামাজিক, ৰাজনীতিৰ বাবে দুৰ্যোগৰ ঘটনা। কাৰণ ইয়াৰ জৰিয়তে বিজেপি চৰকাৰ তথা বিজেপিৰ নামত শাসন চলোৱা এজন ব্যক্তিৰ স্বেচ্ছাচাৰিতা বেছি প্ৰকট হৈছে। অথচ যাৰ ওপৰত এখন সমাজৰ বৃহৎ জনগণৰ ভাগ্য নিৰ্ভৰ কৰিছে। সেই কথাটো অসমৰ বাবে ডাঙৰ বিপদ হ'ব পাৰে। সকলোৱে অনুভৱ কৰিছো। দিলোৱাৰক নীতিগতভাৱে গ্ৰেপ্তাৰ কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰি গোহাঁয়ে কয় যে এটা কথা স্পষ্ট যে দিলোৱাৰ হুছেইন মজুমদাৰক কোনো আইনসংগত, যুক্তিসংগত, ন্যায়সংগত কাৰণত গ্ৰেপ্তাৰ কৰা নাই। তেওঁক হাৰাশাস্তি কৰিবলৈ আৰু তেওঁৰ যোগেদি সাংবাদিকসকলক আৰু ৰাইজক ভয় খুৱাবৰ বাবে এই কাম কৰা হৈছে। আমাৰ দেশত ইমান অৰাজকতা, ইমান বেছি অপৰাধ, দুৰ্নীতি ইমান তললৈ শিপাইছে। সেইবোৰলৈ আমাৰ আৰক্ষীৰ চকু নাই। বাছি বাছি কিছুমান মানুহৰ বিৰুদ্ধে গোচৰ বনাইছে। যিবিলাকে তেওঁলোকক অসুবিধাত পেলাব পাৰে। এটাৰ পিছত এটা ফাল্টু গোচৰত ফচাই দিছে। এইটো আইনৰ নামত প্ৰহসন। এইটো আইনৰ দ্বাৰা স্বেচ্ছাচাৰ চলোৱাৰ অতি নিকৃষ্ট উদাহৰণ। এনে মানুহৰ হাতত আমাৰ ৰাজ্যখনৰ শাসনভাৰ, কথাটো কিমান বিপজ্জনক সকলোৱে বুজি পাইছে। মুখ্যমন্ত্ৰীজনৰ ভাষা চাওক। নথি ডকাইতি কৰিবলৈ আহিছিল। নথি বিচাৰিব পাৰে। তেওঁ যেন মাৰণাস্ত্ৰ লৈ সকলোকে ভাবুকি দি নথি বিচাৰি গৈছিল। নথি ডকাইতি কৰিবলৈ গৈছিল বুলি কৈছে- কয় ড০ গোহাঁয়ে। কালি এখন সংবাদমেলত উপস্থিত থকা সাংবাদিকক উদ্দেশ্যি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে আপোনালোকে যদি তেওঁক অৰ্থাৎ দিলোৱাৰ হুছেইন মজুমদাৰক সাংবাদিক বুলি লিখি দিয়ে তেন্তে মই তেওঁক এতিয়াই এৰি দিম বুলি কৈছিল। মুখ্যমন্ত্ৰীৰ মন্তব্যক ৰাজ্যৰ জ্যেষ্ঠ আইনজ্ঞ হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে কঠোৰ ভাষাৰে নিন্দা কৰে। হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰি কয় যে তুমি আইনৰ ওপৰত নেকি? তুমি সেই কথা নাভাবিলা যে কোৰ্টে তোমাৰ মুখত লাথ মাৰি দি লগে লগে জামিন দিলে। দিলোৱাৰ সাংবাদিক হয় নে অধিবক্তা হয় সেই কথা বাদ দিলো। মহবুবুল হকৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীয়ে কৈছিল বহু দিন জেলত থাকিব লাগিব। তেতিয়াও মই উত্তৰ দি কৈছিলো কিমান দিন থাকিব লাগিব সেয়া আদালতে সিদ্ধান্ত ল'ব। মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব নোৱাৰে। এয়া মুখ্যমন্ত্ৰীৰ আওতাত নপৰে। আজি তুমি কৈছা যদি কোনোবাই সাংবাদিক বুলি প্ৰমাণ দিয়ে তেন্তে মই তেওঁক এৰি দিম। তাৰ মানে তুমি তাক ভৰাই থৈছা। আদালতে লগে লগে জামিন দি যে তোমাৰ মুখত লাথ মাৰিলে সেই কথা তুমি নাভাবিলা। লগে লগে জামিন দিলে মানে কি? যদি তোমালোকে এনে অৱস্থা কৰা। তেওঁ সাংবাদিক হওক বা নহওক। তেওঁ গৈছে এটা তদন্তৰ বাবে। তেওঁ সাংবাদিক নহ'ব কেনেকৈ। প্ৰেছ ক্লাবৰ তেওঁ সহকাৰী সম্পাদক। যদি সাংবাদিক নহয় তেন্তে প্ৰেছ ক্লাবৰ সম্পাদক কেনেকৈ হ'ল। তোমালোকে এইটো কি আৰম্ভ কৰিছা। চৌধুৰীয়ে লগতে কয় যে আজি আমি নাগৰিক সমাজে আপোনালোকৰ এই প্ৰতিবাদৰ প্ৰতি সমৰ্থন জনাইছো। আজি আপোনালোকে গম পালে যে বৰ্তমান কেনেকৈ চলিছে। অসমৰ সাংবাদিকৰ নিৰপেক্ষতা থাকে বুলি দাবী কৰি চৌধুৰীয়ে কয় যে আমি বিশ্বৰ বিভিন্ন ঠাইত গৈছো। অসমৰ সাংবাদিকৰ নিৰপেক্ষতা আছে। দুই-এজনক বাদ দিয়ক অসমৰ সাংবাদিকে যেতিয়াই গণতন্ত্ৰ বিপদত পৰে তেতিয়াই সক্ৰিয় হয়। আমি আপোনালোকক সকলো ধৰণৰ সহযোগ কৰিবলৈ সাজু।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উমিয়ামত উদ্ধাৰ অপহৃত

লোকক মেঘালয়ত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষীয়ে। আইপিএল খেল চাবলৈ আহি অপহৰণৰ বলি হোৱা ফখৰুদ্দিন ভূঞা নামৰ লোকজনক অভিযান চলাই উদ্ধাৰ কৰাৰ লগতে অপহৰণ কাণ্ডৰ সৈতে জড়িত ৫ অপহৰণকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ফখৰুদ্দিন ভূঞাৰ ঘৰ হৈছে বৰপেটাত। গুৱাহাটীৰ বৰ্ষাপাৰত অনুষ্ঠিত আইপিএলৰ মেচ চাবলৈ আহি ফখৰুদ্দিন ভূঞা নিৰুদ্দেশ হয়। তাৰ পিছতে গুৱাহাটী আৰক্ষীক খবৰ দিয়া হয়। গুৱাহাটী আৰক্ষীয়ে অভিযান চলাই ফখৰুদ্দিন ভূঞাক মেঘালয়ৰ উমিয়ামত উদ্ধাৰ কৰাৰ লগতে নগাঁৱৰ আবুল হুছেইন, আবুল নাজাৰ, চাহিৰ আহমেদ, আবু কাশেম আৰু আব্দুল হান্নালক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, আইপিএল খেল চাবলৈ অহাৰ সময়তে ভগদত্তপুৰত পাঁচজনীয়া যুৱকৰ দলে বলপূৰ্বকভাৱে গাড়ীত তুলি লৈ যায় ফখৰুদ্দিনক। পিছত দিছপুৰ আৰক্ষীয়ে উদ্ধাৰ অভিযান চলায়। আৰক্ষীয়ে অপহৰণৰ সৈতে জড়িত পাঁচোজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# কামপুৰ আৰক্ষীৰ সাফল্য, জালত পৰিল গাড়ী চুৰি চক্ৰৰ দল

**ই-সংবাদ, কামপুৰ, ২৮ মাৰ্চঃ** যোৱা নিশা কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুৰজ দত্তৰ নেতৃত্বত কামপুৰত গাড়ী চুৰি চক্ৰৰ দলক গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, কামপুৰ মনোহৰ গাঁৱৰ দুই যৱক ক্ৰমে গণেশ দাস আৰু চম্পক দাসে AS-12 AA-1838 নম্বৰৰ অউৰা নামৰ গাড়ীখন গুৱাহাটীৰ পৰা ভাড়া কৰিছিল কামপুৰলৈ। তাৰ পাছত কামপুৰৰ ফটাঝাৰত গাড়ী চালক তেজপুৰৰ পংকজ বৰ্মনক আক্ৰমণ কৰি মৰিল বুলি পেলাই থৈ গাড়ীখন লৈ উধাও হয়। নিশা পেট্ৰ'লিঙত থকা আৰক্ষীয়ে গাড়ীসহ চুৰি চক্ৰৰ লগত জড়িত দুই চোৰক গ্ৰেপ্তাৰ কৰে। আহত পংকজ বৰ্মনক নিশাই সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কামপুৰত চাঞ্চল্যৰ সৃষ্টি কৰিছে ঘটনাটোৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বায়ুসেনাৰ বিৰুদ্ধে সহস্ৰাধিক জনতাৰ

এইখন অসমত ডিমা হাচাও ৯ হাজাৰ বিঘা, কাৰ্বি আংলং সৌৰ প্ৰকল্পৰ বাবে ১৮ হাজাৰ বিঘা, পলাশবাৰী ৰাজহ চক্ৰৰ বৰদুৱাৰ বাগানৰ ১ হাজাৰ বিঘা অসম চৰকাৰে পুঁজিপতিক গতাব। এই সকলো ভূমি জনজাতীয় লোকৰ। হাজাৰ হাজাৰ বিঘা ভূমি গতাই দিবলৈ ওলাইছে ৰাজ্য চৰকাৰে। জনজাতীয় লোকসকলে প্ৰতিবাদ কৰি গৈছে যদিও চৰকাৰ নাচোৰবান্দা। এইবাৰ গুৱাহাটীৰ সমীপৱৰ্তী সোণাপুৰত জনজাতীয় লোকে নিজৰ মাটি-ভেটি ৰক্ষা কৰিবলৈ প্ৰতিবাদ কৰি গৈছে। গুৱাহাটীৰ সমীপৱৰ্তী ডিগাৰুৰ বৃহৎ ভূমি বায়ুসেনাক দিব খোজা হৈছে। যাৰ বাবে জনজাতীয় ৰাইজে প্ৰতিবাদ অব্যাহত থকাৰ সময়তে আজি সোণাপুৰ মিনি ষ্টেডিয়ামত হাজাৰ হাজাৰ জনজাতীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। সোণাপুৰৰ সকলো দোকান-বজাৰ বন্ধ ৰাখি প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ তেজ দিম মাটি নিদিওঁ, ডিগাৰু এয়াৰ ফৰ্চ মুৰ্দাবাদ, এয়াৰ ফৰ্চৰ দপদপনি নচলিব আদি শ্লোগানেৰে উত্তাল কৰি তোলে। সোণাপুৰৰ মাজমজিয়াত স্থাপিত ডিগাৰু বায়ুসেনা বাহিনীৰ সীমাৰপৰা ৯০০ মিটাৰ দূৰত্বৰ ভিতৰত থকা সকলো নিৰ্মাণকাৰ্য বন্ধ কৰাৰ বাবে বায়ু সেনা বাহিনীয়ে জাননী প্ৰেৰণ কৰিছে তাক লৈ চেপা উত্তেজনাই বিৰাজ কৰি থকাৰ সময়তে ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে। সোণাপুৰস্থিত ভাৰতীয় বায়ুসেনা বাহিনীৰ বিশেষ জাননীৰ লাভ কৰিয়েই ওলাই আহে স্থানীয় জনতা। সোণাপুৰৰ লগতে ডিগাৰুৰ স্থানীয় ৰাইজে বায়ুসেনাৰ একাংশ বিষয়াই নিজৰ ক্ষমতাৰ অপপ্ৰয়োগ কৰি বিগত প্ৰায় ৬০-৭০ বছৰ ধৰি বসবাস কৰি থকা খিলঞ্জীয়াক ভীতিগ্ৰস্ত কৰি নিৰ্মাণকাৰ্য্য বন্ধ ৰখাৰ জাননী জাৰি দিয়াৰ গুৰুতৰ অভিযোগ আনে। ডিমৰীয়া সম-জিলা আয়ুক্তকো এই সন্দৰ্ভত হেঁচা প্ৰয়োগ কৰি ব্যৱস্থা গ্ৰহণৰ বাবে বাৰে বাৰে উচ্ছেদৰ বাবে বাধ্য কৰোৱাৰ চেষ্টা চলোৱা বুলিও অভিযোগ উত্থাপিত কৰে ক্ষোভিত জনতাই। স্থানীয় ৰাইজে নিজৰ ভূমি ৰক্ষাৰ স্বাৰ্থত প্ৰতিবাদ কৰিবলৈ ওলাই আহি বায়ু সেনাৰ কাৰ্যালয় স্থানান্তৰ কৰি সাধাৰণ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। আজিৰ বিশাল ৰাজহুৱা সভাত ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ কোনো কাৰণত আমি মাটি নিদিও বুলি স্পষ্ট কৰি দিয়ে। সোণাপুৰৰ নিৰ্মাণ কাৰ্য কোনোপধ্যে বন্ধ কৰিব নোৱাৰিব। তেজ দিম খিলঞ্জীয়াৰ ভূমি কোনো কাৰণতে দিয়া নহ'ব বুলি স্পষ্ট কৰে। ৰাইজে কয় যে ডিগাৰু এয়াৰ ফৰ্চৰ ফলত সোণাপুৰ, বৰুৱাবাৰী, উৰল, এৰাবাৰী, বৰখাট, মিলনপুৰ, জ্যোতিনগৰ, ৰূপনগৰ, শান্তিনগৰ, কুশল নগৰ, বাৰঘৰীয়া, মহমাৰা, বালিগেট, দমৰা পথাৰ, বলিয়াস্থান, মৈৰাকুছি, ৰাজীৱ গান্ধীনগৰ, বটাকুছি, ডিগাৰু, চেনিমূৰ, বজৰাম আদি গাঁৱৰ জীৱন যাপন ধ্বংস হ'ব। ডিগাৰু এয়াৰ ফৰ্চৰ কামাণ্ডিং বিষয়া অজয় ৰাণাক দোষাৰোপ কৰি ৰাইজে কয় যে অজয় ৰাণাক সকীয়াই দিছো। কোনো কাৰণতে খিলঞ্জীয়াক যাতে হাৰাশাস্তি নকৰিব। নিৰ্দেশ বাতিল নকৰিলে পৰৱৰ্তী সময়ত পৰিস্থিতি ভয়ংকৰ হ'ব বুলি কৈ ৰাইজে কয় যে সোণাপুৰৰ পৰা ডিগাৰু বায়ু সেনা বাহিনী আঁতৰাই পঠিয়াওক, তথাপি আমি মাটি এৰি নিদিও। স্থানীয় লোকৰ কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি দি বায়ুসেনাৰ ঘাটি এতিয়া থলুৱা বিৰোধী নীতিত লিপ্ত হৈছে। আজি সভাই হেমন্ত কলিতাক সভাপতি আৰু দিগন্ত লহকৰক সম্পাদক হিচাপে লৈ ৪০ জনীয়া সমিতি গঠন কৰে। আজিৰ সভাৰ শেষত ডিগাৰু বায়ু সেনা বাহিনীৰ আগ্ৰাসন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত দ্বাৰস্থ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৩ এপ্ৰিলত ডিগাৰুৰ বায়ু সেনাৰ কামাণ্ডিং বিষয়া অজয় ৰাণাৰ প্ৰতিমূৰ্তি দাহকৰাৰ সিদ্ধান্ত লয়। সোণাপুৰ এলেকাত ঘৰ ভাড়া লৈ থকা বায়ু সেনাৰ প্ৰতিজন বিষয়া-কৰ্মচাৰীক ১৫ দিনৰ ভিতৰত ভাড়াঘৰ সমূহখালী কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে সোণাপুৰৰ বজাৰত বায়ুসেনাৰ লোকসকলক শাক-পাচলি, ফল, মাছ-মাংস বিক্ৰী নকৰাৰ সিদ্ধান্ত লয়। ডিমৰীয়া সম-জিলা আয়ুক্তই ২৭ জানুৱাৰীত দিয়া নিৰ্দেশনা বাতিল কৰিবলৈ ১০দিনৰ সময় সীমা বান্ধি দিয়াৰ লগতে অহা ১০ দিনৰ ভিতৰত নতুন বজাৰৰ পৰা আৱাসিক এলেকালৈ যোৱা পথত দিয়া বেৰিকড আৰু পহৰা চকী উঠাই দিবলৈ দাবী জনাই সিদ্ধান্ত গ্ৰহণ কৰে। সদৌ অসম ছাত্ৰ সন্থা, জনজাতি মহা সংঘ অসম, অল টিৱা ষ্টুডেন্টছ ইউনিয়ন, কাৰ্বি ছাত্ৰ সন্থা, কাৰ্বি বাংথে আচেম, বড়ো-কছাৰী যুৱ ছাত্ৰ সন্থা, কামৰূপ মহাগৰ ভূমি সুৰক্ষা সমিতি, চাহ জনজাতি ভূমি সুৰক্ষা সমিতি, সদৌ ডিমৰীয়া মহিলা সংঘ, ডিমৰীয়া বাথৌ সমিতি আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ উপস্থিতিত সভা অনুষ্ঠিত হয়। অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ আইন, ১৮৮৬-ৰ অধ্যায় দশম উলংঘা কৰাৰ লগতে

জনজাতীয় বেল্টৰ সুৰক্ষা উলংঘা কৰা বুলি কয়। ডিমৰীয়া নগৰিক সুৰক্ষা সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰংহাঙে কয় যে ডিমৰীয়াত এছএছবি, আইটিবিপি, এনআইএ আৰু বায়ু সেনাৰ বাবে জনজাতীয় অঞ্চলৰ বিস্তীৰ্ণ ভূমি দখল কৰা হৈছে। প্ৰকল্পবোৰে আমাৰ লোকসকলক লাভান্বিত কৰাৰ পৰিৱৰ্তে নিৰাপত্তা প্ৰতিষ্ঠানবোৰ কিয় আমাৰ ওপৰত জাপি দিয়া হৈছে বুলি কয়। তেওঁ লগতে কয় যে আমি উন্নয়নৰ বিৰোধী নহয়, কিন্তু চৰকাৰে কিয় জনজাতীয়-নিৰ্দিষ্ট প্ৰকল্প যেনে মীন পালন বা কৃষি প্ৰকল্প, কৃষি গৱেষণা কেন্দ্ৰ, বিশ্ববিদ্যালয় বা সংগ্ৰহালয় আনিব নোৱাৰে। যাৰ দ্বাৰা লোকসকলক উপকৃত কৰিব পাৰে? আমাৰ বায়ু, পানী আৰু মাটি প্ৰতিদিনে দূষিত হৈছে।

# এপেক্স বেংকৰ কেলেংকাৰীৰ তদন্ত হ'বই লাগিবঃ অজাপ

**ই-সংবাদ, ২৭ মাৰ্চঃ** দিলোৱাৰ হুছেইন মজুমদাৰক পাণবজাৰ আৰক্ষীয়ে দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰৰ পাছতে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত একাংশ সাংবাদিকে মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰিছে। সাংবাদিক দিলোৱাৰক আক্ৰোশমূলকভাৱে গ্ৰেপ্তাৰৰ বিৰুদ্ধে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত মুখত ক'লা কাপোৰ বান্ধি সাংবাদিকে মৌন প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে দিলোৱাৰত মুক্তি দিয়াৰ দাবী উত্থাপন কৰে। কেইবাটাও মিডিয়া হাউছৰ জ্যেষ্ঠ সাংবাদিকৰ সৈতে সাংবাদিকসকলে মৌন প্ৰতিবাদ সাব্যস্ত কৰি এয়া স্বৈৰাচাৰ বুলি অভিহিত কৰে। আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ অভিযোগৰ ভিত্তিত ৰুজু দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। গুৱাহাটীৰ লখৰাস্থিত কেন্দ্ৰীয় কাৰাগাৰৰ ভিতৰতে পাণবজাৰ আৰক্ষীৰ দলে পুনৰ গ্ৰেপ্তাৰ কৰি পাণবজাৰ থানালৈ আনে। দিলোৱাৰ হুছেইনক পাণবজাৰ থানাত ৰখাৰ সময়তে সাংবাদিকসকল উপস্থিত হৈ প্ৰতিবাদ জনায়। এটা গোচৰত আদালতৰ পৰা জামিন লাভ কৰিছিল যদিও এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ গোচৰত আজি গ্ৰেপ্তাৰ কৰা হয়। পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯, ৩২৪(৪), ৩৫১(২), ৩০৯(৪) আৰু ১১৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। অসম সমবায় এপেক্স বেংক লিমিটেডৰ পৰিচালনা সঞ্চালকৰ অভিযোগৰ ভিত্তিত পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নং গোচৰ পঞ্জীয়ন কৰিছিল। এজাহাৰত অভিযোগ কৰা মতে, ২৫ মাৰ্চৰ প্ৰায় ১২.৩০ বজাত দিলোৱাৰ হুছেইনে এপেক্স-অফিচৰ প্ৰথম মহলাত বেআইনীভাৱে প্ৰৱেশ কৰিছিল। বেংকৰ মূল্যৱান নথিপত্ৰ চুৰি কৰিবলৈ চেষ্টা কৰিছিল। ইপিনে মজুমদাৰৰ বিৰুদ্ধে পঞ্জীয়ন কৰা ১১০/২৫ নং গোচৰত ২৫ মাৰ্চত জামিন মঞ্জুৰ কৰিছিল আদালতে। দিলোৱাৰ হুছেইন মজুমদাৰক পুনৰ গ্ৰেপ্তাৰক গুৱাহাটী প্ৰেছ ক্লাবৰ গৰিহণা দিছে। প্ৰেছ ক্লাবে কয় যে গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক এটা গোচৰত আদালতে জামিন দিয়াৰ পিছত পুনৰবাৰ গ্ৰেপ্তাৰ কৰা ঘটনাত প্ৰেছ ক্লাবে আশ্চৰ্য প্ৰকাশ কৰিছো। গুৱাহাটী প্ৰেছ ক্লাব সকলো সাংবাদিকৰ লগত আছে। সাংবাদিকৰ যিকোনো সমস্যাত প্ৰেছ ক্লাবে সদায় মাত মাতি যাব। দিলোৱাৰ হুছেইন মজুমদাৰক বিনাচৰ্তে অনতিপলমে মুকলি কৰি দিবলৈ প্ৰেছ ক্লাবৰ তৰফৰ পৰা পুনৰবাৰ দাবী জনালো।

# চেঙা সমষ্টিৰ বাঘমাৰা চৰত চৰম প্ৰসহনত পৰিণত জলজীৱন আঁচনি

**ই-সংবাদ, শিমলীতোলা, ২৮ মাৰ্চঃ** কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভাগীয়ভাৱে শ শ কোটি টকা আৱন্টন দি জলজীৱন মিছন আঁচনি ৰূপায়ণৰ কৰিলেও সেই আঁচনি চেঙা সমষ্টিৰ ঠাঁয়ে ঠাঁয়ে চূড়ান্ত ভেঁকো-ভাওনাত পৰিণত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। প্ৰতিজন ব্যক্তিক প্ৰতিদিনে ন্যূনতম ৫৫ লিটাৰকৈ বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লক্ষ্য আগত ৰাখি এনে অভিলাসী আঁচনিৰ কাম প্ৰায় পাঁচ বছৰ আগতে আৰম্ভ কৰে যদিও শেহতীয়াকৈ বৰপেটা জিলাৰ জনস্বাস্থ্য কাৰিকৰী বৰপেটা উপ-সংমণ্ডলৰ অধীনস্থ ১ নং বাঘমাৰা এন চি পাৰ্ট-১ বাঘমাৰা চৰত জলজীৱন মিছন আঁচনিৰ অধীনত গাঁওবাসীক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ নামত চৰম ঠগ-প্ৰৱঞ্চনা কৰিছে উপ-ঠিকাদাৰ জাফৰ আলী আহমেদে। কাম আৰম্ভৰ দুই বছৰৰ ভিতৰত শেষ কৰিব লাগিছিল যদিও উপ-ঠিকা লাভ কৰা দুৰ্তিনীতিগ্ৰস্ত ঠিকাদাৰ জাফৰ আলী আহমেদৰ গা-এৰা মনোভাবৰ বাবে চৰাঞ্চলত সকলোতকৈ আগত আৰম্ভ হোৱা কাম আজিলৈ ৫০ শতাংশ কামো সম্পূৰ্ণ নহ'ল। ১৯৮.৬৪ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পানী যোগান আঁচনিখনৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰে M/S NK POWER & INFRACTRUTURE PVT. LTD য়ে। আঁচনিখনৰ কাম ৫০ শতাংশতকৈ অধিক সম্পূৰ্ণ হৈছে যদিও আজিলৈকে এই পানীযোগান আঁচনিৰপৰা গাঁওবাসীয়ে বিশুদ্ধ পানী লাভ কৰা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ সপোন ধূলিসাৎ কৰি ঠিকাদাৰ জাফৰ আলী আহমেদে পানীযোগান ধৰাৰ লক্ষ্য আগত ৰাখি ঘৰে ঘৰে বহুওৱা পানীৰ টেপ ঠাঁয়ে ঠাঁয়ে ভাগি যোৱা পৰিলক্ষিত হৈছে। অভিযোগ অনুসৰি, দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে প্ৰাককলন মতে টেপৰ কাম নকৰি অতি নিম্নমানৰ কাম কৰাৰ বাবেই মূলতঃ পানীৰ টেপসমূহ বাগৰি পৰিছে অথবা ভাঙি গৈছে। এফ এছ টি চি পাইপ ৩০ ফুটপৰ্যন্ত ভিতৰত দিব লাগে যদিও নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ লগতে পাইপ লাইনৰ কাম বৰ্তমান ১-১.৫ ফুট তলেদি কৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে সম্পূৰ্ণ হোৱা প্ৰায় ৫০-৬০ শতাংশ কামত যথেষ্ট দুৰ্নীতি সংঘটিত কৰাৰ লগতে এতিয়াও প্ৰায় ৪০ শতাংশ পাইপলাইনৰ কাম নকৰাকৈ কাম সম্পূৰ্ণ হোৱা বুলি দেখুওৱাই আঁচনিৰ ধন আত্মসাত কৰাৰ ষড়যন্ত্ৰ ৰচিছে বিভাগীয়ভাৱে ইনচাৰ্জৰ দায়িত্ব থকা কণিষ্ঠ অভিযন্তা ইনামুল হাছানৰ প্ৰত্যক্ষ ছত্ৰছায়াত উপ-ঠিকা লাভ কৰা জাফৰ আলী আহমেদে। পানী যাতে স্পীডত ওলায় তাৰপ্ৰতি লক্ষ্য ৰাখি পানীৰ টেপত পেবেল লক লগাব লাগে যদিও একাংশ পানীৰ টেপত পেবেল লক লগোৱা নাই বুলিও একাংশ লোকে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখযোগ্য যে উক্ত আঁচনিখনত ৪৪২ এফ এইছ টি চি সামৰি লৈছে যদিও আজিলৈ প্ৰায় ৪০ শতাংশ কামেই বাকী আছে। যথেষ্টসংখ্যক কাম বাকী থকাৰ পিছত যোৱা ১৯ মাৰ্চত কেন্দ্ৰীয় অনুসন্ধানকাৰী দলক ভুল বুজনি দি ক'তো দুৰ্নীতি হোৱা নাই বুলি কৈ থকাৰ সময়তে স্থানীয় কিছু ব্যক্তিয়ে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰে। তাৰপিছত অভিযোগকাৰীসকলক বহুৱাই ৰাখি আৰু কিছু কাম চাবলৈ বাকী আছে বুলি কৈ ৰহস্যজনকভাৱে দালালৰ ভূমিকা লোৱা কণিষ্ঠ অভিযন্তা ইনামুল হাছানে অভিযোকাৰীসকলৰ লগত কেন্দ্ৰীয় অনুসন্ধানকাৰী দলটোক দেখা কৰিবলৈ নিদি য'ত অলপ ভাল হৈছে তাত দেখুৱাই দিয়ে। মাজে মাজে বিভাগীয় কৰ্তৃপক্ষক দেখাবলৈ কিছু অংশত পানী দিয়ে যদিও এতিয়ালৈ ফিল্টাৰিং নকৰি ব্লিছিং নিদিয়াকৈ বিশুদ্ধ পানীৰ নামত লেতেৰা পানী খোৱাইছে। ইমানৰ পিছতো কিন্তু গা লৰা নাই জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ। গাঁওবাসীয়ে বিশুদ্ধ খোৱাপানী নোপোৱাৰ পিছতো জনস্বাস্থ্য কাৰিকৰী বিভাগে নাকী লগাব পৰিবনে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ জাফৰ আলী আহমেদক। শীঘ্ৰে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ লগতে ঠিকাদাৰে কৰা দুৰ্নীতিত প্ৰত্যক্ষভাৱে সহায় কৰা বিভাগীয় ইনচাৰ্জ কণিষ্ঠ অভিযন্তা ইনামুল হাছানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি সংশ্লিষ্ট পানী যোগান আঁচনিখন কাৰ্যক্ষম কৰি গাঁওবাসীক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ যাৱতীয় কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে জিলা আয়ুক্তৰ লগতে বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক দাবী জনাইছে।

# ডিব্ৰুগড়ত তিনিটাকৈ সংগঠনৰ উদ্যোগত মহীয়সী জয়মতীৰ স্মৃতি দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ মাৰ্চঃ** স্থানীয় জয়মতী উদ্যানত মহীয়সী জয়মতীৰ স্মৃতি দিৱসটি ২৭ মাৰ্চত তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ, ডিব্ৰুগড় নাগৰিক মঞ্চ, আহোম সভা সদৰৰ উদ্যোগত আৰু ডিব্ৰুগড় প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হৈ যায়। মহীয়সীগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্জ্বলন কৰে ডিব্ৰুগড় নাগৰিক মঞ্চৰ সভাপতি ড০ ভাৰতী দত্ত আৰু তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি চাও হেমকান্ত দিহিঙীয়াই। আহোম সভা ডিব্ৰুগড় সদৰৰ সভাপতি চাও কৃষ্ণকান্ত চেতিয়াই পুষ্পাঞ্জলি তৰ্পণ কৰে। তাই কেন্দ্ৰৰ সম্পাদক দুৰ্লভ গগৈয়ে উপস্থিত সকলোকে আদৰণি জনাই বক্তব্য আগবঢ়ায়। নাগৰিক মঞ্চৰ সহঃ সম্পাদক দিগন্ত ফুকনে আঁতধৰা সভাত বক্তৃতা প্ৰদান কৰি মঞ্চৰ সভাপতি ড০ ভাৰতী দত্তই মহীয়সী জয়মতীৰ জীৱন তথা আত্মত্যাগৰ ব্যাখ্যা আগবঢ়াই কয় যে জয়মতীয়ে অকথ্য নিৰ্যাতন সহি মৃত্যুক আঁকোৱালি লৈ অসমত সুশাসনৰ বাট কাটি থৈ নোযোৱা হ'লে আমি হয়তো আজিৰ এই অসমখনি পাবলৈ সমৰ্থ নহ'লোহেঁতেন। এইগৰাকী নাৰীৰ অতুলনীয় স্বদেশপ্ৰেমৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব দিয়াটো আমাৰ প্ৰত্যেকৰে কৰ্তব্য। মদন কোঁৱৰে মহীয়হীগৰাকীৰ আত্মবলিদানৰ কথা প্ৰতিজন অসমীয়াই সুঁৱৰিব লাগে বুলি কয়। ড০ কমলেশ্বৰ দত্তই তেখেতৰ ভাষণত জয়মতীৰ দেশপ্ৰেমক সোঁৱৰাৰ লগতে তেওঁৰ পুত্ৰ, সুশাসক ৰুদ্ৰসিংহই শিৱসাগৰত প্ৰতিষ্ঠা কৰা স্মাৰকসমূহে পৰ্যটনৰ দিশটো সমৃদ্ধিশালী কৰাৰ প্ৰসংগও উল্লেখ কৰে। টুনুমণি বৰুৱাৰ পৰিচালনাত জয়াৰ স্মৃতিত সমৱেত কণ্ঠত এটি জ্যোতি সংগীত পৰিৱেশন কৰা হয়। গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত তাই ভাষাত এটি প্ৰাৰ্থনা জনোৱা হয়। ৰঞ্জিত বৰুৱা, ধনীৰাম বৰুৱা, অনিল প্ৰসাদ সিংহ, প্ৰাঞ্জল গগৈ, মৃদুল শৰ্মা, সন্ধ্যা দত্ত, ৰুবী সন্দিকৈ, দীপক কুমাৰ, চাংমাই প্ৰমুখ্যে বুজনসংখ্যক গণ্যমান্য ব্যক্তি সভাত উপস্থিত আছিল। শেষত শলাগ জ্ঞাপন কৰে দিগন্ত ফুকনে। সন্ধিয়া তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# মাজুলী মহাবিদ্যালয়ৰ প্ৰমোদ দত্ত ভাষা গৱেষণাগাৰলৈ কুৰিটা কম্পিউটাৰ আগবঢ়াব কেশৱ মহন্তই

**ই-সংবাদ, মধ্য মাজুলী, ২৮ মাৰ্চঃ** অসমৰ ৰাজহ, দুৰ্যোগ প্ৰশমন তথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্ত আজি বিয়লি মাজুলীৰ উচ্চশিক্ষাৰ বাটকটীয়া স্বৰূপ মাজুলী মহাবিদ্যালয়ত উপস্থিত হয়। প্ৰৱেশদ্বাৰতে মন্ত্ৰীগৰাকীক মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলৰ উপস্থিতিত পৰিয়ালৰ হৈ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই আদৰণি জনায়। মহাবিদ্যালয়ৰ ভ্ৰমণ কালত মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ সামগ্ৰিক অৱস্থা, নাকৰ গ্ৰেড আদিৰ বুজ লোৱাৰ লগতে মহাবিদ্যালয়খনে বৰ্তমান সুচাৰুৰূপে প্ৰৱৰ্তন কৰি থকা পাঠ্যক্ৰমসমূহৰ বিষয়েও অৱগত হয়। লগতে মহাবিদ্যালয়খনৰ সমস্যাসমূহৰ বিষয়েও অধ্যক্ষ সমন্বিতে অধ্যাপকসকলৰ লগত আলোচনা কৰে। আলোচনা কালত মহাবিদ্যালখনৰ সামগ্ৰিক পৰিৱেশ বৰ আকৰ্ষণীয় বুলি মন্তব্য প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনে শেহতীয়াকৈ লাভ কৰা নাকৰ বি প্লাছ প্লাছ গ্ৰেডত সন্তুষ্টি লাভ কৰাৰ কথা কয়। প্ৰসংগক্ৰমে মন্ত্ৰীগৰাকীয়ে নিৰ্মীয়মাণ প্ৰমোদ দত্ত ভাষা গৱেষণাগাৰলৈ ২০ টা অত্যাধুনিক কম্পিউটাৰ আগবঢ়াব বুলি ঘোষণা কৰে। মন্ত্ৰীগৰাকীৰ এই বদ্যানতাত অত্যন্ত সন্তুষ্টি প্ৰকাশ কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই মাজুলীৰ আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীৰ বিকাশক এই অনুদানে বিশেষভাৱে সহায় কৰিব বুলি মন্ত্ৰীগৰাকীলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ প্ৰসাশনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক ৰাজেন চন্দ্ৰ বৰা, গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ডঃ ৰূপজ্যোতি বৰা, বিপুল ৰাজখোৱা, ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, বসন্ত বৰা, সুৰেন দাস, অপূৰ্বজ্যোতি হাজৰিকা, ডঃ দুলাল হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ প্ৰমুখ্যে শিক্ষাগুৰুৰ উপৰি সদৌ অসম মইনা পাৰিজাতৰ সম্পাদক ৰাতুল বৰা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি লোহিত বৰা, মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, জিলা অন্যান্য পিছপৰা জাতি উন্নয়ন পৰিষদৰ সভাপতি মনোজ কুমাৰ বৰা, শিক্ষাবিদ ৰাজীৱ দত্ত ভূঞা, মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক অনিৰুদ্ধ দত্ত, সমাজকৰ্মী ব্ৰজেন গাম প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে।

# পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰিব মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, পুৰণিগুদাম, ২৮ মাৰ্চঃ** অহা ৩০ মাৰ্চত বাপুজী ভৱন আৰু পুথিভঁৰালৰ নৱনিৰ্মিত ভৱনৰ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি ভৱন পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকা আৰু সাধাৰণ সম্পাদক দ্বিপেন বৈৰাগীয়ে আজি এখন সংবাদমেলৰ আয়োজন কৰি এইকথা ঘোষণা কৰাৰ লগতে অনুষ্ঠানটোত পুৰণিগুদামবাসীৰ সহায়-সহযোগিতা কামনা কৰে। পুৰণিগুদামৰ সকলো অনুষ্ঠানৰ বটবৃক্ষস্বৰূপ বাপুজী ভৱন আৰু পুথিভঁৰালটো। ১৯৪৮ চনৰ ৩০ জানুৱাৰীত প্ৰতিষ্ঠিত পুৰণিগুদামৰ সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, শৈক্ষিক, ক্ৰীড়া, অৰ্থনৈতিক আদি দিশৰ উত্তৰণৰ বাবে কাম কৰি অহা বাপুজী ভৱনটো ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্তলৈ উন্নীত কৰিবৰ বাবে এটা অংশ ভঙাৰ লগতে বাপুজী ভৱন খেলপথাৰত থকা গেলেৰী আৰু দোকানসমূহ ভঙা যায়। এইসমূহ ভঙাৰ বিনিময়ত বাপুজী ভৱন পুথিভঁড়াল পৰিচালনা সমিতিয়ে প্ৰায় দুই কোটি পঞ্চাশ লাখ টকা লাভ কৰে আৰু এই টকা বেংকত জমা ৰখাৰ বাবে টকাৰ পৰিমাণ তিনি কোটি হয়গৈ। এই টকাৰ সৎ ব্যৱহাৰ কৰি পৰিচালনা সমিতিয়ে পুথিভঁৰালটো আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ লগতে, প্ৰেক্ষাগৃহ, অধ্যয়ন কক্ষ, অতিথি গৃহ, অফিচ ৰুম আদি নিৰ্মাণ কৰি সেইসমূহৰ কাম সম্পূৰ্ণ কৰিছে যদিও বৃহৎ ভৱনটো টাইলচ, ছাউগুকে ধৰি আন বহুকেইটা কাম কৰিবৰ বাবে আৰু তিনি কোটি টকাৰ প্ৰয়োজন আছে। বৰ্তমান পুথিভঁড়াল নিৰ্মাণ অংশ ব্যৱহাৰ কৰিব পৰা হৈ আছে আৰু পুৰিণগুদামৰ বটবৃক্ষ স্বৰূপ অনুষ্ঠানটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা অংশটো উদ্বোধন কৰিবৰ বাবে পুৰণিগুদামলৈ মুখ্যমন্ত্ৰীৰ আগমনে উৎফুল্লিত কৰি তুলিছে বাপুজী ভৱন পুথিভঁড়াল পৰিচালনা সমিতিৰ লগতে পুৰণিগুদামৰ ৰাইজক। ইফালে, এই ভৱনৰ চৌহদৰ বেৰা আৰু আন কেইবাটাও কামৰ বাবে বৰহমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে পুঁজিৰ আৱন্টন দিছে যদিও ৰাজ্যখনৰ ভিতৰতে এটা আগশাৰীৰ অনুষ্ঠান হিচাপে গঢ়ি উঠিবলৈ আৰু প্ৰায় তিনি কোটি টকাৰ প্ৰয়োজন আছে। ভৱনটো নতুন প্ৰজন্মৰ হাতত সুন্দৰভাৱে তুলি দিবলৈ বৰ্তমান পৰিচালনা সমিতিয়ে দিনে-নিশাই প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বৰ্তমান মুখ্যমন্ত্ৰীৰ আগমনে ভৱনটোৰ সকলো সমস্যা দূৰ হ'ব বুলি পৰিচালনা সমিতিয়ে আশা প্ৰকাশ কৰিছে।

# জুইত জাহ গ'ল মাজুলীৰ য়াগড্ৰাচিল বেম্ব' কটেজ



**ই-সংবাদ, মধ্য মাজুলী, ২৮ মাৰ্চঃ** মাজুলীৰ গড়মূৰৰ কেৰেলা গাঁও স্থিত মাজুলীৰ প্ৰথমটো বেম্ব কটেজ য়াগড্ৰাচিল বেম্ব কটেজত আজি বিয়লি সংঘটিত এক অগ্নিকাণ্ডত কটেজটোৰ দুটা কোঠা সম্পূৰ্ণৰূপে জুইত জাহ যায়। এটা ডুবিৰ কাষত আটকধুনীয়াকৈ নিৰ্মাণ কৰা, সামাজিক মাধ্যমত অতি চিনাকি মাজুলীৰ সৌন্দৰ্য্যক প্ৰতিনিধিত্ব কৰা কটেজটোত সংঘটিত অগ্নিকাণ্ডত অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাস্থলীত উপস্থিত হৈ জানিব পৰা মতে কটেজটোৰ কাষৰ পথাৰত কৃষকে পথাৰৰ জাবৰ পুৰি থকাত বতাহত জুইৰ ফিৰিঙতি আহি প্ৰথমে কটেজটোৰ খেৰৰ এটা কোঠাত জুইৰ সূত্ৰপাত ঘটে। স্থানীয় লোকে প্ৰত্যক্ষ কৰি ঘটনাস্থলীত উপস্থিত হৈ জুই নুমাবলৈ চেষ্টা কৰাৰ সময়তে কাষৰে আনটো কোঠালৈয়ো জুই বিয়পি গৈ মাত্ৰ ১০ মিনিটৰ ভিতৰতে বাহেৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰা কোঠাকেইটা নিমিষতে জুইত জাহ যায়। পিছত অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ বাকী থকা জুই নিৰ্বাপন কৰে। অগ্নিকাণ্ডত কোঠা দুটাৰ ভিতৰৰ আচবাবসহ বিভিন্ন সামগ্ৰী জুইত জাহ যোৱাৰ ফলত দুয়োটা কোঠাৰ আনুমানিক ১০ লাখ টকাৰ ক্ষয়-ক্ষতি হোৱা বুলি ধাৰণা কৰা হৈছে।

# সৰ্বোদয় মহাবিদ্যালয়ত সাহিত্য দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৭ মাৰ্চঃ** সৰ্বোদয় মহাবিদ্যালয়ৰ অসমীয়া বিভাগে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৭ সংখ্যক মৃত্যু দিনটো সাহিত্য দিৱসৰূপে পালন কৰে। বিভাগীয় প্ৰধান ডঃ পাপৰি বৰাই আঁতধৰা সভাত বেজবৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যাপক ডঃ হেমন্ত বৰাই। ডঃ নয়নজ্যোতি ভূঞাই বেজবৰুৱাৰ সাহিত্য-কৃতী বিষয়ত চমু বক্তৃতা প্ৰদান কৰাৰ পিছতে অধ্যাপক জয়ন্তজিৎ দাসৰ সঞ্চালনাত অসমীয়া নাট্য সাহিত্য আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য কৰ্মৰ বিষয়ত দহগৰাকী শিক্ষাৰ্থীয়ে আলোচনা-পত্ৰ পাঠ কৰে। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলা বাবে আই কিউ এ চিৰ সমন্বয়ক ৰবিজিত দত্ত প্ৰমুখ্যে উপস্থিত সকলোলৈকে বিভাগীয় প্ৰধান ডঃ পাপৰি বৰাই ধন্যবাদ জনায়।

# ডিব্ৰুগড়ত নন্দেশ্বৰ চক্ৰৱৰ্তীৰ আবক্ষ মূৰ্তি স্থাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ মাৰ্চঃ** যোৱা ২৬ মাৰ্চত ডিব্ৰুগড়ৰ নন্দেশ্বৰ চক্ৰৱৰ্তী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কৰ্মযোগী নন্দেশ্বৰ চক্ৰৱৰ্তীৰ এটি আবক্ষ মূৰ্তি বিদ্যালয়ৰ প্ৰাংগণত স্থাপন কৰাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। ডিব্ৰুগড়বাসীৰ চিৰপৰিচিত এটি সত্তা নন্দেশ্বৰ চক্ৰৱৰ্তী এগৰাকী কৰ্মযোগী, সমাজসেৱক আৰু সফল ব্যৱসায়ী আছিল। ডিব্ৰুগড়ৰ মাজমজিয়াত অৱস্থিত পূৰ্ণানন্দ পথ, ১ নং পূৰ্ণানন্দ প্ৰাথমিক বিদ্যালয়, বৰ্তমানৰ নন্দেশ্বৰ চক্ৰৱৰ্তী উচ্চ মাধ্যমিক বিদ্যালয়, জ্ঞানদায়িনী মন্দিৰ, ৰামকৃষ্ণ মিছনকে আদি কৰি কেইবাটাও প্ৰতিষ্ঠানক মাটি দান কৰাৰ লগতে প্ৰতিষ্ঠানকেইটাৰ ভেঁটি সুদৃঢ় কৰাত তেওঁৰ লগতে বৰ্তমানো তেওঁৰ পৰিয়ালবৰ্গই কৰা সহযোগ কৰি আহিছে। এইগৰাকী কৰ্মসাধক নন্দেশ্বৰ চক্ৰৱৰ্তীৰ এটি আবক্ষ মূৰ্তি তেওঁৰ পুত্ৰ তাৰাপ্ৰসাদ চক্ৰৱৰ্তীৰ পৰিয়ালবৰ্গই বিদ্যালয়ত স্থাপনৰ বাবে আগভাগ লয়। প্ৰতুল বৰুৱা অইল ইণ্ডিয়া লিমিটেড, যোধপুৰত কৰ্মৰত হৈ থকা



সময়ত আগভাগ লৈ জয়পুৰত মূৰ্তিটো প্ৰস্তুত কৰি আনি বিদ্যালয়ত প্ৰতিষ্ঠা কৰা হয়। বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সভাখনিত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অঞ্জু দুৱৰাই আগভাগ লয় আৰু সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মানস বৰপূজাৰীয়ে। নন্দেশ্বৰ চক্ৰৱৰ্তীৰ আবক্ষ মূৰ্তিৰ উন্মোচন কৰে তেওঁৰ বোৱাৰী নিজৰা দেৱী চক্ৰৱৰ্তীয়ে আৰু বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আৰতি ভট্টাচাৰ্যয়ে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চেবন প্ৰসাদ শৰ্মাই নিজ কাৰ্যকালৰ খতিয়ান দাঙি ধৰে, হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হিৰণ্যময়ী দেৱীয়ে প্ৰতিষ্ঠা কালৰেপৰা নানা বাধা-বিঘিনিৰ মাজেৰে বিদ্যালয়খন আগুৱাই নিয়াৰ বিষয়ে বক্তব্য প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মঞ্জু আগমাচাৰ্য্যই মহান দাতাজনৰ সান্নিধ্যত শৈশৱত কটোৱা মধুৰ স্মৃতি ৰোমন্থন কৰে আৰু তেখেতৰ কৰ্মময় জীৱনৰ বৰ্ণময় যাত্ৰাৰ বহু জানিবলগীয়া কথা ব্যক্ত কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ আলোচনী নন্দনজ্যোতিত মহান ব্যক্তিজনাৰ বিষয়ে অধ্যয়ন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত উপস্থিত অৱসৰপ্ৰাপ্ত শিক্ষক অজিত শৰ্মায়ো বক্তব্য ৰাখে। সভাত কেইবাজনো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অতিথি উপস্থিত আছিল। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। বৰ্তমানৰ প্ৰধান শিক্ষয়িত্ৰী বন্দনা কোঁৱৰে শলাগৰ শৰাই আগবঢ়ায়।

# সৌমাৰজ্যোতি মহন্ত, চেহিৰ আহমদলৈ 'আবৃত্তি প্ৰজ্ঞা' সন্মান

## মুখ্য অতিথিৰূপে থাকিব দক্ষিণ কোৰিয়াৰ হং উজিং

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ মাৰ্চঃ** ডিব্ৰুগড় জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত আৰু নগৰ সমিতিৰ সহযোগত ডিব্ৰুগড়ৰ হনুমান বক্স সুৰুযমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত ২৯ মাৰ্চত পৰিষদৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হ'ব। দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হ'বলগা মুকলি সভাত দক্ষিণ কোৰিয়াৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ জনপ্ৰিয় বক্তা হং উজিং মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মুকলি সভা উদ্বোধন কৰিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বড়াই। স্মৃতিগ্ৰন্থ 'আবৃত্তি কণ্ঠ' উন্মোচন কৰিব বিশিষ্ট কবি, চিকিৎসক ডাঃ প্ৰণয় ফুকনে। পুৱা পৰিষদৰ পতাকা উত্তোলন কৰিব পৰিষদৰ জিলা সভাপতি ড° শশীকান্ত শইকীয়াই। উদ্দেশ্য ব্যাখ্যা কৰিব সম্পাদক বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে। এই মুকলি সভাতে আবৃত্তিৰ স'তে দীৰ্ঘ দিনধৰি জড়িত হৈ আবৃত্তিক প্ৰচাৰ আৰু প্ৰসাৰ কৰি অহা দুগৰাকী ব্যক্তি ক্ৰমে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত আৰু ডিব্ৰুগড়ৰ বিশিষ্ট আবৃত্তিকাৰ, বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজ সেৱক, চেহিৰ আহমদক 'আবৃত্তি প্ৰজ্ঞা' সন্মান প্ৰদান কৰা হ'ব। ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰপৰা অহা শাখাসমূহৰ সহযোগত বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্য্যসূচী পৰিৱেশন কৰিব। ডিব্ৰুগড় জিলাৰ বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকিবলগা অনুষ্ঠানটোত সকলোৰে সহযোগিতা কামনা কৰিছে।

# দাতিয়ালবড়ী জানিয়া ছিদ্দিকীয়া বানাত একাডেমিৰ সাফল্য

**ই-সংবাদ, মৈৰাবাৰী, ২৮ মাৰ্চঃ** মাদ্ৰাছাৰ বৃত্তি পৰীক্ষা সদৌ অসম তালিমি তাৰ্কি বোৰ্ডৰ অধীনত অনুষ্ঠিত হোৱা বৃত্তি পৰীক্ষাত মৰিগাঁও জিলাৰ দাতিয়াল বড়ী জামিয়া ছিদ্দিকিয়া বানাত একাডেমী ছাত্ৰীসকলে পূৰ্বৰ ফলাফলৰ ধাৰা এইবাৰো অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এই মাদ্ৰাছাখনৰপৰা আজিলৈকে শ শ ছাত্ৰী এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। আটাইতকৈ ভাল ফলাফল দেখুৱা ছাত্ৰীসকলৰ ভিতৰত দাউৰায়ে হাদিছ বিভাগৰপৰা ৫ গৰাকী ছাত্ৰী, ছালে ছাহাৰোম বিভাগৰপৰা ৭ গৰাকী ছাত্ৰী, ছালে দোৱামৰ এগৰাকী ছাত্ৰীয়ে জামিয়া ছিদ্দিকিয়া বানাত একাডেমী মাদ্ৰাছাৰপৰা সমগ্ৰ অসমৰ ভিতৰত দ্বিতীয় স্থান, তৃতীয় স্থান, চতুৰ্থ স্থান লাভ কৰি মাদ্ৰাছাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

# ৰাভা হাছং নিৰ্বাচনৰ সময়তে ধূপধৰাত কংগ্ৰেছ নেতাৰ পদত্যাগ

**ই-সংবাদ, ধূপধৰা, ২৮ মাৰ্চঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰৰ মাজতেই গোৱালপাৰা জিলাৰ এগৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই দল ত্যাগ কৰিছে। জিলাখনৰ ধূপধৰাৰ বাসিন্দা তথা যুৱ ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ইনামুল আহমেদে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাথমিক সদস্য পদৰপৰা পদত্যাগ কৰিছে। এই দলত্যাগৰ ঘটনা জিলা কংগ্ৰেছত এক মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে। ২০০১ চনৰপৰা কংগ্ৰেছ দলত জড়িত হৈ সক্ৰিয় ৰাজনীতি কৰি অহা ইনামুল আহমেদে পৰ্যায়ক্ৰমে মণ্ডল কংগ্ৰেছৰপৰা আৰম্ভ কৰি ছবছৰ কাল ব্লক যুৱ কংগ্ৰেছৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি গুৱাহাটী লোকসভা সমষ্টিৰ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। আনহাতে, ২০১৩ চনত ৰাভা হাছং পৰিষদীয় নিৰ্বাচনত ১ নং ধূপধৰা পৰিষদীয় সমষ্টিৰপৰা কংগ্ৰেছ দলৰ হৈ সাধাৰণ সদস্য হিচাপে নিৰ্বাচিত হৈছিল ইনামুল আহমেদ। পদত্যাগ-পত্ৰত ব্যক্তিগত কাৰণতে দল ত্যাগ কৰা বুলি উল্লেখ কৰিছে যদিও পূৰ্বৰ দৰে এতিয়া দলে তেওঁৰ প্ৰয়োজনীয়তা অনুভৱ হয়তো নকৰে বা একপ্ৰকাৰ দলত তেওঁ এলাগী হৈ পৰা বুলি ইনামুল আহমেদে জানিবলৈ দিয়ে। ইফালে, পদত্যাগ কৰাৰ পিছত ভৱিষ্যতে আন দলত যোগদানৰ পৰিকল্পনা কৰা নাই বুলি তেওঁ কয় যদিও ৰাভা হাছং পৰিষদীয় নিৰ্বাচনত বিজেপি-অগপ সমৰ্থিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ টংকেশ্বৰ ৰাভাৰ সৈতে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লোৱা দেখা গৈছে।

# কলগাছিয়া আমছুৰ ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব গ্ৰহণ

**ই-সংবাদ, কলগাছিয়া, ২৮ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়াত বৃহস্পতিবাৰে বৰভিটাৰ উদীয়মান যুৱক তথা আমছু নেতা শ্বাহজাহান আলীক কলগাছিয়া জিলা আমছুৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। আমছুৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি ৰেজাউল কৰিম সৰকাৰৰ নিৰ্দেশমৰ্মে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিদ্বয় ক্ৰমে ইউনুছ আলী আৰু লুতফৰ ৰহমানে নৱ নিৰ্বাচিত ভাৰপ্ৰাপ্ত সভাপতি শ্বাহজাহান আলীক ফুলাম গামোচা আৰু জাপিৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জনায় আৰু নৱ নিযুক্ত ভাৰপ্ৰাপ্ত সভাপতি হিচাপে শ্বাহজাহান আলীয়ে দায়িত্ব গ্ৰহণ কৰে। উল্লেখ্য যে, শ্বাহজাহান আলীয়ে দীৰ্ঘদিন ধৰি কলগাছিয়া জিলা আমছুৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সম্প্ৰতি শ্বাহজাহান আলীৰ সাংগঠনিক কাম-কাজত সন্তুষ্ট হৈ কেন্দ্ৰীয় সমিতিয়ে তেওঁক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। আমছুৰ কেন্দ্ৰীয় কমিটীৰ এই সিদ্ধান্তক বৃহত্তৰ কলগাছিয়া অঞ্চলৰ ৰাইজে প্ৰশংসা কৰাৰ লগতে বিষয়ববীয়াসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে। দায়িত্ব গ্ৰহণ কৰি শ্বাহজাহান আলীয়ে বৃহত্তৰ অঞ্চলৰ সংখ্যালঘু ছাত্ৰ সমাজক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। লগতে বৃহত্তৰ কলগাছিয়া অঞ্চলত যাতে কোনো অসামাজিক কাৰ্যকলাপ সংঘটিত হ'ব নোৱাৰে তাৰ প্ৰতি যুৱ সমাজে চোকা দৃষ্টি ৰাখিব লাগে বুলি মন্তব্য কৰে। আনহাতে তীৰ-জুৱা, মদ-ভাং আদি অবৈধ কাৰ্যকলাপ বন্ধ কৰিবলৈ জিলা প্ৰশাসনক কঠোৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়।

# চতিয়াৰ ঐতিহ্যমণ্ডিত মাধুৰী আঁহতৰ তলত অনুষ্ঠিত বিহু কৰ্মশালা

**ই-সংবাদ, চতিয়া, ২৮ মাৰ্চঃ** অসমৰ প্ৰথমখন মুকলি বিহু মেলা বুলি খ্যাত চতিয়াৰ মাধুৰী আঁহতৰ তলৰ মুকলি বিহু উদযাপন সমিতিৰ উদ্যোগত বৃহস্পতিবাৰৰ পৰা আৰম্ভ হৈছে ১৫ দিনীয়া বিহু কৰ্মশালা। বৃহস্পতিবাৰে বিহু কৰ্মশালা মুকলি কৰে ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। কৰ্মশালা উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে বিখ্যাত ঢুলীয়া সোমনাথ বৰা। সোমনাথ বৰাৰ ঢোলত আঙুলিৰ বুলনিয়ে সকলোকে আপ্লুত কৰি তোলে। ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ লগত একেলগে সোমনাথ বৰাই ঐতিহ্যমণ্ডিত মাধুৰী আঁহতৰ তলত বিহু নাম গায়। অঞ্চলটোৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে মাধুৰী আঁহতৰ তলত বিহু কৰ্মশালাত অংশগ্ৰহণ কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER: BCA, DCA, PGDCA, DTP, ADCA
MONTESSORY TEACHER TRAINING COURSE: LESSON PLANS, PRESENTATION CLASS, INTERVIEW SESSION, MOTOR SKILL DEVELOPMENT, HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

# উদ্ধাৰ হোৱা নাই গংগাধৰ নদীত সন্ধানহীন শিশু

**ই-সংবাদ, গোলকগঞ্জ, ২৮ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ সমীপৰ পুব গাইখোৱা প্ৰথম খণ্ড গাঁৱত কালি দুপৰীয়া সন্ধানহীন হোৱা শিশুটি আজিও উদ্ধাৰ হোৱা নাই। এই ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছা পেলাইছে। জানিব পৰা মতে, কালি দুপৰীয়া বাৰ বজাত গংগাধৰ নদীত গা ধুবলৈ গৈ এটি শিশু সন্ধানহীন হয়। সন্ধানহীন শিশুটি গাঁওখনৰ ৰজব আলীৰ পুত্ৰ নুৰ মহম্মদ(১১)। শিশুটিয়ে আন দুই সমনীয়াৰ সৈতে গা ধুবলৈ গৈছিল গংগাধৰ নদীত। গা ধুই থাকোতে গভীৰ পানীত ডুব যায় শিশুটি। লগৰ দুজন চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ গোট খাই শিশুটিক উদ্ধাৰৰ বাবে পানীত ডুবি, জাল পেলাই যৎপৰোনাস্তি চেষ্টা চলাইও উদ্ধাৰ কৰাত বিফল হয়। গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীক খবৰ দিয়ে। এছডিআৰএফে পুব গাইখোৱাৰ পৰা ভাৰত-বাংলাদেশ সীমান্তৰ কেদাৰ, বিন্নাচৰালৈকে উদ্ধাৰ অভিযান চলায়। বাহিনীৰ বিশেষ নাওৰে সৰ্বত্ৰে অভিযান চলায়। ধুবুৰীৰ পৰা ডুবাৰুক মাতি আনি অভিযান চলাইও কালি কোনো সন্ধান উলিয়াব পৰা নাছিল। আজি পুৱাৰে পৰা পুনৰ অভিযান আৰম্ভ হয়। বাহিনীয়ে নাওৰে ভাৰত-বাংলাদেশ সীমান্তলৈকে অভিযান অব্যাহত ৰাখে। আজিও ডুবাৰুৱে পানীত ডুবি উদ্ধাৰ অভিযান চলাইও ব্যৰ্থ হয়। ডুবাৰুৱে জানিবলৈ দিয়া মতে, নদী ওপৰত শান্ত দেখা গ'লেও পানীৰ তলত যথেষ্ট সোঁত বৈ আছে। সেয়ে উদ্ধাৰ কৰিবলৈ যথেষ্ট সময় লাগি আছে। উদ্ধাৰ কৰিব নোৱাৰালৈকে উদ্ধাৰ অভিযান চলি থাকিব বুলি জানিব পৰা গৈছে। ঘটনাৰ চব্বিছ ঘণ্টা উকলি যোৱাৰ পিছতো জিলা বা সমজিলা পৰ্যায়ৰ কোনো এজন বিষয়া ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ নোলোৱা ঘটনাত অঞ্চলটোৰ ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে।

# আগমনিত ভুৱা পোৰ্টেল সাংবাদিকৰ গুণ্ডাগিৰি

**ই-সংবাদ, গোলকগঞ্জ, ২৮ মাৰ্চঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী দ্বিতীয় খণ্ড গাঁৱত এগৰাকী স্বয়ম্ভু পোৰ্টেল সাংবাদিকে ইটা ভাটাৰ মাটি কঢ়িওৱা ট্ৰেক্টৰৰ পৰা ধন দাবী কৰি চালকক মাৰপিট কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিজকে 'অসম কণ্ঠ'ৰ তথা আগমনিৰ 'জনতাৰ বাতৰি' নামৰ ফেচবুক পেজ এটাৰ সাংবাদিক বুলি পৰিচয় দিয়া মহিবুল আহমেদে গাঁওখনত বিভিন্ন বাহন আটক কৰি ধন দাবীৰে সন্ত্ৰাস চলাইছে। উল্লেখ্য যে অঞ্চলটোত কাঠফুলাৰ দৰে গজি উঠিছে অবৈধ ইটা ভাটা। ভাটাসমূহত মাটি যোগান ধৰা ট্ৰেক্টৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। অঞ্চলটোৰ একাংশৰ বাবে ট্ৰেক্টৰসমূহ হৈ পৰিছে ধন ঘটাৰ উৎস। ফেচবুক পেজৰ একাংশ সাংবাদিকে বাহনসমূহ আটক কৰি দাবী ধমকিৰে ধন সংগ্ৰহ কৰি আহিছে। আজি গাঁওখনৰ মদন মোহন বৰ্মনৰ এটা পুখুৰীৰ মাটি কাটি ট্ৰেক্টৰৰে যোগান ধৰি আছিল ইণ্ডিয়া নামৰ এটা ইটা ভাটাত। এনেতে মহিবুলে ট্ৰেক্টৰখন আটক কৰি ধন দাবী কৰে। দাবী কৰা ধন নাপাই চালকজনক মাৰপিট কৰে আৰু দুই হাজাৰ টকা কাঢ়ি নিয়ে। আহত চালকজন গোপালেৰ কুঠীৰ আয়নাল হকৰ পুত্ৰ আৰিফ চৌধুৰী। ইপিনে স্থানীয় পেজটোৰ মালিকৰ লগত সুসম্পৰ্ক আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ। ঘটনাটো বিপথে পৰিচালিত কৰাৰ উদ্দেশ্যে তেওঁ ঘটনা সংঘটিত কৰি থানাত হাজিৰ হৈ চালকৰ বিৰুদ্ধে অভিযোগ দিয়ে। পিছত চালকজন থানাত উপস্থিত হৈ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিতে মহিবুলৰ বিৰুদ্ধে এজাহাৰ দিয়ে। এই সন্দৰ্ভত থানাৰ সাহা উপাধিৰ আৰক্ষী বিষয়া ঘটনাস্থলীত উপস্থিত হৈ তদন্ত কৰাৰ পিছত ভাৰপ্ৰাপ্ত বিষয়া জনৈক ডেকাই এজাহাৰ পঞ্জীয়ন কৰিবলৈ অনিহা প্ৰকাশ কৰে। মাৰপিট কৰা ঘটনাক সৰু কৰি ট্ৰেক্টৰৰ নথি-পত্ৰক লৈ অধিক গুৰুত্ব প্ৰদান কৰে। স্থানীয় ইলেক্ট্ৰনিক মাধ্যম আৰু প্ৰিণ্ট মাধ্যমকো তথ্য দি সহায় কৰিবলৈ অস্বীকাৰ কৰে আৰক্ষী বিষয়াজনে। নিৰ্দিষ্ট পেজটোৰ মালিক তথা স্বয়ম্ভু সাংবাদিকৰ লগত সুসম্পৰ্ক থকাৰ বাবেই মাৰপিটৰ ঘটনাক গুৰুত্ব প্ৰদান নকৰা বুলি ট্ৰেক্টৰ মালিকসকলে অভিযোগ কৰে। উল্লেখ্য যে পেজটোৰ মালিক ইয়াৰ পূৰ্বে থানাৰ এগৰাকী মহিলা বিষয়াৰ নামত ধন সংগ্ৰহ কৰি বিতৰ্কত সোমাই পৰিছিল। দুই-আঢ়ৈ ঘণ্টা ধৰি চৰকাৰী স্বীকৃতিপ্ৰাপ্ত টিভি চেনেল, কাকতৰ সাংবাদিকৰ অনুৰোধক গুৰুত্ব নিদিয়া বিষয়াগৰাকীয়ে ফেচবুক পেজৰ মালিক ৰূপী সাংবাদিকজন উপস্থিত হৈ তেওঁক বহিস্কাৰ কৰা বুলি স্পষ্টীকৰণ দিয়াৰ পিছতহে বিভাগীয় কাৰ্য আগবঢ়াই নিয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে পোৰ্টেলৰ সাংবাদিকৰ পৰিৱৰ্তে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত চেনেল, কাকতৰ সাংবাদিকক গুৰুত্ব দিব বুলি দাবী কৰাৰ বিপৰীতে ভাৰপ্ৰাপ্ত বিষয়াই ফেচবুক পেজৰ মালিক ৰূপী সাংবাদিকক গুৰুত্ব আৰোপ কৰা ঘটনাই ব্যাপক চৰ্চা লাভ কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ডিফুত কংগ্ৰেছ নেতা মনোজ চৌহানৰ বিস্ফোৰণ

# অসমত হিমন্ত বিশ্ব শৰ্মাই অঘোষিত জৰুৰী অৱস্থা চলাইছে

**ই-সংবাদ, ডিফু, ২৮ মাৰ্চঃ** কাৰ্বি আংলং জিলা কংগ্ৰেছ কাৰ্যালয়ত আজি জাতীয় কংগ্ৰেছৰ সম্পাদক তথ্য অসমৰ তত্ত্বাৱধায়ক মনোজ চৌহানে মণ্ডল কংগ্ৰেছৰ কৰ্মীসকলৰ এখন সভাত অংশগ্ৰহণ কৰে। দলটো অনাগত দিনত কিদৰে আগবাঢ়ি যাব তাৰ ওপৰত আজিৰ সভাত আলোচনা কৰা হয়। জিলা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতি বিদ্যাছিং ৰংপিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ পাছত এখন সংবাদমেল সম্বোধন কৰে কংগ্ৰেছ নেতাদ্বয়ে। সংবাদমেলত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কাৰ্বি আলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য বমৰ্যাবাহী সদস্য তুলিৰ্ম ৰংহাঙৰ বিৰুদ্ধে সৰৰ হৈ পৰে কংগ্ৰেছ নেতাগৰাকী। হিমন্ত বিশ্ব শৰ্মাই অসমত এতিয়া অঘোষিত জৰুৰীকালীন শাসন চলোৱাৰ বিস্ফোৰক অভিযোগ তোলে চৌহানে। তেওঁৰ বিৰুদ্ধে লিখিলে সাংবাদিকক গ্ৰেপ্তাৰ কৰে বুলি সমালোচনা কৰি সাংসদ গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা বুলিও অভিযোগ আনে। চৌহানে কয় যে কংগ্ৰেছ হৈছে দেশ স্বাধীন কৰা দল, সেয়ে হিমন্ত বিশ্ব শৰ্মাৰ চকুলৈ কংগ্ৰেছ দলে ভয় নকৰে। চৌহানে আৰএছএছক ব্ৰিটিছক সহায় কৰা দল আখ্যা দিয়ে। হিমন্ত বিশ্ব শৰ্মা আৰু তুলিৰাম ৰংহাঙক ছিণ্ডিকেটৰ মাষ্টৰ আখ্যা দি কয় যে, ৰাজ্যত হিমন্ত বিশ্ব শৰ্মাই আৰু কাৰ্বি আংলং জিলাত তুলিৰাম ৰংহাঙে অবাধ ছিণ্ডিকেটৰাজ চলাই আছে। সেয়ে দুয়ো দুৰ্নীতিগ্ৰস্ত বন্ধু। বিদেশলৈ একেলগে যায়। ৰাজ্যত বিৰোধী ঐক্যমত হ'ব বুলি উল্লেখ কৰি অসম প্ৰদেশ কংগ্ৰেছে যিদৰে বিৰোধীক আসন প্ৰদান কৰিবলৈ পৰামৰ্শ দিব সেইদৰে কংগ্ৰেছ নেতৃত্বই সিদ্ধান্ত লৈ ২০২৬ৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলিও উল্লেখ কৰে।

# ডিফুত তিনি বন্ধুৰ সৈতে গা ধুবলৈ গৈ এজনৰ সলিল সমাধি

**ই-সংবাদ, ডিফু, ২৮ মাৰ্চঃ** শুকুৰবাৰে পুৱা ১০ বাজি ৩০ মিনিটত ডিফুৰ সমীপৰ ৫ কিলোৰ ভটানিকেল গাৰ্ডেনৰ সন্মুখৰ পুখুৰীত তিনি বন্ধুৰ সৈতে গা ধুবলৈ গৈ এজন বন্ধুৰ সলিল সমাধি ঘটা কাণ্ডক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাযৰ তিনি বন্ধু ক্ৰমে, অৰিন্দম কুমাৰ, তাকেন' ৰেংমা আৰু প্ৰজ্ঞান কিশোৰ শৰ্মা একেলগে পুখুৰীটোত সাঁতুৰি থকা অৱস্থাতে ডুবি যায় অৰিন্দম কুমাৰ। লগৰ বন্ধু দুজনে আপ্ৰাণ চেষ্টা কৰিও উদ্ধাৰ কৰিব নোৱাৰিলে অৰিন্দম কুমাৰক। ইফালে ঘটনাৰ খবৰ পাই আৰক্ষীৰ লোকে ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰে অৰিন্দম কুমাৰৰ মৃতদেহ। পাছত মৃতদেহটো দণ্ডাধীশৰ হতুৱাই পৰীক্ষা কৰাৰ লগতে মৃতদেহটো ডিএমচিএইচত মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলঙত বিশেষ স্বাস্থ্যমেলা সন্দৰ্ভত জিলা স্বাস্থ্য বিভাগৰ সংবাদমেল

**ই-সংবাদ, ডিফু, ২৮ মাৰ্চঃ** শুকুৰবাৰে দিনৰ ১ বজাত ডিফুস্থিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়ত জিলা স্বাস্থ্য বিভাগে এক সংবাদমেল সম্বোধন কৰে। কাৰ্বি আংলং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত অহা ৩১ মাৰ্চৰ পৰা কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাতো বিশেষ স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হ'ব। সংবাদমেল সম্বোধন কৰি স্বাস্থ্য বিভাগৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক বৰছিং ৰংপিয়ে এই কথা ঘোষণা কৰে যে, জিলাদুখনৰ মুঠ ২৬ টা পৰিষদীয় সমষ্টিত এই স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হ'ব। সংবাদমেল সম্বোধন কৰি স্বাস্থ্য বিভাগৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক বৰছিং ৰংপিয়ে এই কথা ঘোষণা কৰে। ৩১ মাৰ্চৰ দিনাডিফুৰ লাংচ'লিয়েটত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই স্বাস্থ্য মেলা অভিযান কাৰ্যসূচী শুভাৰম্ভ কৰিব। স্বাস্থ্য মেলাসমূহত অংশগ্ৰহন কৰি চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ যুটীয়া স্বাস্থ্য সঞ্চালকগৰাকীয়ে ৰাইজৰ প্ৰতি আহ্বান জনায়।

# নগাঁৱত বুজন পৰিমাণৰ গাঞ্জাসহ আটক বেপাৰী

**ই-সংবাদ, বেবেজীয়া, ২৮ মাৰ্চঃ** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত আৰক্ষী প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ লৈ অসাধু চক্ৰই সৰল নেটৱৰ্ক গঠনেৰে মাৰাত্মক ড্ৰাগছ, গাঞ্জা, অবৈধ সুৰাৰ বেহা অব্যাহত ৰখাৰ সময়তে জিলাখনৰ পশ্চিম প্ৰান্তৰ বটদ্ৰৱাত শুকুৰবাৰে বিয়লি বুজন পৰিমাণৰ গাঞ্জাৰ সৈতে এটা অসাধু বেপাৰী আৰক্ষীৰ জালত পৰা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ মতে, বটদ্ৰৱা আৰক্ষীৰ দলে এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত খেদি খেদি গৈ বটদ্ৰৱা সতী ৰাধিকা হাইস্কুলৰ সন্মুখৰ পৰা গাঞ্জাসহ অসাধু বেপাৰীটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত গাঞ্জা বেপাৰীটো হৈছে জুৰীয়াৰ নজৰুল ইছলাম। লগতে আৰক্ষীয়ে বেপাৰীটোৰ পৰা প্ৰায় দুই কিল'গ্ৰাম গাঞ্জা জব্দ কৰে। আচলতে, ধৃত নজৰুল ইছলামে গাঞ্জাখিনি আৰক্ষীৰ চকুত ধূলি দি এখন টেম্পোৰে সৰবৰাহ কৰিবলৈ চেষ্টা চলোৱাৰ সময়তে বটদ্ৰৱা আৰক্ষীয়ে আটক কৰে। আৰক্ষীয়ে ধৃত নজৰুল ইছলামক অধিক তথ্য লাভৰ বাবে জেৰা চলাই থকা বুলি জানিব পৰা গৈছে।

# গুণোৎসৱত পুনৰ জিলিকিল চকলাঘাট জে বি স্কুল

**ই-সংবাদ, বেবেজীয়া, ২৮ মাৰ্চঃ** নগাঁও জিলাৰ অন্যতম পুৰণি অগ্ৰণী শিক্ষানুষ্ঠান চকলাঘাট জে বি স্কুলে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বৃহস্পতিবাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ বিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ মান নিৰ্ণায়ক গুণোৎসৱৰ ফলাফলত পুনৰবাৰ ঈষণীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ খাগৰিজান শিক্ষা খণ্ডৰ অন্তৰ্গত তথা দেশৰ স্বাধীনতাৰ পূৰ্বেই ১৮৯০ চনতে স্থাপিত এই বিদ্যালয়খনে একেৰাহে ষষ্ঠবাৰৰ বাবে 'এ-প্লাছ' গ্ৰেড লাভ কৰি স্থানীয় অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে, ৰাজ্যত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা গুণোৎসৱত এই বিদ্যালয়খনে 'এ-প্লাছ' গ্ৰেড লাভ কৰাৰ পিছৰে পৰা প্ৰতি বছৰে 'এ-প্লাছ' গ্ৰেড লাভ কৰি আহিছে। ইতিমধ্যে সগৌৰৱে ১৩৪ টি বছৰ গৰকা এই বিদ্যালয়খনে এনেদৰে বিগত বৰ্ষবোৰৰ দৰেই এইবাৰো সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক উৎফুল্লিত কৰি তুলিছে। প্ৰতিবছৰে ধাৰাবাহিকভাৱে শিক্ষাৰ ক্ষেত্ৰতো উন্নত ফলাফল প্ৰদৰ্শন কৰি অহা বিদ্যালয়খনৰ গুণোৎসৱৰ এনে ঈষণীয় ফলাফলত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰি ইয়াৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক শিৱ প্ৰসাদ ভৰালীৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী বিভা শইকীয়া, ডিম্বেশ্বৰ ভূঞা, কৃষ্ণকান্ত বৰা, গৌতম বৰুৱা, কমল উপাধ্যায় আৰু পম্পী হাজৰিকাৰ প্ৰতি কৃতজ্ঞতা জনাইছে।

## মন্ত্ৰী ৰূপেশ গোৱালাৰ আন এক প্ৰশংসনীয় পদক্ষেপ

# ডুমডুমা সমষ্টিৰ স্নাতক যুৱক-যুৱতীক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিনামূলীয়া প্ৰশিক্ষণ

**ই-সংবাদ, তিনিচুকীয়া, ২৮ মাৰ্চঃ** ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই নিজ সমষ্টিৰ শৈক্ষিক ক্ষেত্ৰৰ উত্তৰণৰ বাবে 'উদ্দীপন' নামেৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি অংশ বিধায়কগৰাকীয়ে সম্পূৰ্ণ ব্যক্তিগত প্ৰচেষ্টাত ডুমডুমা বিধানসভা সমষ্টিৰ স্নাতক ডিগ্ৰীধাৰী চাকৰি প্ৰত্যাশী যুৱক-যুৱতীসকলৰ বাবে এক বিনামূলীয়া প্ৰশিক্ষণ দিয়াৰ বাবে যো-জা চলাইছে। আজি চাহ নগৰী ডুমডুমাৰ 'ৰয়েল ফিষ্ট হোটেল'ৰ সভাকক্ষত আয়োজিত এক সংবাদ মেলযোগে এই কথা ঘোষণা কৰি মন্ত্ৰীগৰাকী ৰূপেশ গোৱালাই কয় যে, এই প্ৰশিক্ষণ সম্পূৰ্ণ বিনামূলীয়া হ'ব আৰু প্ৰথম পৰ্যায়ত দুশ গৰাকী যুৱক-যুৱতীক এই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এপ্ৰিল মাহৰ মাজভাগৰ পৰাই আৰম্ভ হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচী ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব বুলিও মন্ত্ৰী গোৱালাই সংবাদমেলত জানিবলৈ দিয়ে। উক্ত প্ৰশিক্ষণ কাৰ্যসূচী তদাৰক কৰিবলৈ ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অমৰজিৎ শইকীয়া, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খান, অৱসৰপ্ৰাপ্ত শিক্ষক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু ডুমডুমাৰ বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাক উপদেষ্টা, শিক্ষক তথা সমাজকৰ্মী অভিজিৎ খাটনিয়াৰক মুখ্য আহ্বায়ক, ডুমডুমা মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ অধ্যাপক মনোজ দত্ত আৰু শিক্ষক তথা সমাজকৰ্মী দিলীপ প্ৰসাদক যুটীয়া আহ্বায়ক আৰু অংশুমান চৌধুৰী, শুভাশিস মল্লিক আৰু জিতু গগৈক সদস্য হিচাপে লৈ এখন তদাৰকী সমিতি গঠন কৰা হয়। সংবাদমেলত মন্ত্ৰী ৰূপেশ গোৱালাই লগতে জনায় যে এই প্ৰশিক্ষণ গুৱাহাটীৰ 'এছ পি এম আই এ এছ একাডেমী'ৰ এটা গোট'মেজেষ্টিক একাডেমী'-এ প্ৰদান কৰিব। আবেদনকাৰীৰ সংখ্যা দুশতকৈ অধিক হ'লে এটা বাছনি পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। সংবাদমেল সম্বোধন কৰি এছ পি এমৰ বিষয়া পলাশ গগৈয়ে কয় যে ইচ্ছুক প্ৰাৰ্থীসকলে ৭০৯৯১-৪৩০৯৮ নম্বৰত হোৱাটছ এপ যোগে 'হায়' বা 'হেল্ল' লিখি পঠিয়ালে তেওঁলৈ স্বয়ংক্ৰিয়ভাৱে এই প্ৰশিক্ষণৰ সবিশেষ তথ্য আৰু এখন পঞ্জীয়ন প্ৰ-পত্ৰ আহিব। উক্ত প্ৰ-পত্ৰখন পূৰণ কৰি 'ছাবমিট' কৰি দিলেই প্ৰাৰ্থীগৰাকীৰ পঞ্জীয়ন সম্পূৰ্ণ হৈ যাব। পঞ্জীয়নৰ অন্তিম তাৰিখ ১৪ এপ্ৰিল ধাৰ্য কৰা হৈছে। মন্ত্ৰী গোৱালাই 'উদ্দীপন' কাৰ্যসূচীৰ অধীনত ডুমডুমা সমষ্টিৰ আৰ্থিকভাৱে অনগ্ৰসৰ কোনো মেধাৱী ছাত্ৰ বা ছাত্ৰীয়ে JEE, NEET আদি পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে কোচিং ল'ব খুজিলে তেওঁ এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলিও সংবাদমেলত জানিবলৈ দিয়ে।

# বোন্দাত ৰঙালী বিহু সন্মিলনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, গুৱাহাটী, ২৮ মাৰ্চঃ** অহা ২, ৩ আৰু ৪ ব'হাগ (১৬-১৮ এপ্ৰিল)ত তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে নাৰেংগীৰ সমীপৰ বোন্দাত ৪১ সংখ্যক বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনখনি উদযাপন কৰিবৰ বাবে হেমন্ত তালুকদাৰক সভাপতি, ৰুণুমী বড়ো ৰংপীক কাৰ্যকৰী সভাপতি, অৰুণ বড়ো, সত্য কলিতা, কবিৰাম তালুকদাৰক উপ-সভাপতি, পংকজ টাৰাক সাধাৰণ সম্পাদক, জিতু গগৈ, সঞ্জয় লালুং, বুলু দাস, ৰঞ্জিত শইকীয়াক সহকাৰী সম্পাদক লগতে দীপক শৰ্মাক সভাপতি আৰু শৰৎ বৰ্মণক সম্পাদক হিচাপে লৈ বাৰ্ষিক মুখপত্ৰ ‘জেতুকা’ সম্পাদনা সমিতি, বিন্দু টাৰা মেধিক সভাপতি, নবীন পাটৰক সম্পাদক হিচাপে লৈ সাংস্কৃতিক বিভাগ, বিষ্ণু উপাধ্যায়ক সভাপতি, বিষ্ণু শৰ্মা, প্ৰণৱ ডেকাক যুটীয়া সম্পাদক হিচাপে লৈ শোভাযাত্ৰা সমিতি, অলকা বৰ্মনক সভাপতি, পদুমী শৰণীয়া, ৰত্না সেন, নিলীমা দাসকসম্পাদক ত্ৰয় হিচাপে অভ্যৰ্থনা বিভাগ, জিতু শৰ্মাক সভাপতি, দেৱ টেৰণ, অজিত বড়োক সম্পাদকদ্বয় হিচাপে লৈ খেল বিভাগ লগতে চিকিৎসা, খাদ্য,বিদ্যুৎ, মঞ্চ-সজ্জা, স্বেচ্ছাসেৱক আদি উপ-সমিতি গঠন কৰা হৈছে। ৰঙালী বিহুৰ স'তে সংগতি ৰাখি বিহু হুচৰি, সৰু বিহুৱতী, বৰ বিহুৱতী, জনগোষ্ঠীয় কৃষ্টি দলৰ নৃত্য প্ৰতিযোগিতা, জেং বিহু প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হ'ব।

## শদিয়াত অখিল গগৈৰ বিশাল ৰাজহুৱা সভা, শতাধিক লোকৰ যোগদান

**ই-সংবাদ , তিনিচুকীয়া, ২৮ মাৰ্চঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনৈতিক দলসমূহে কুচ-কাৱাজ আৰম্ভ কৰাৰ সময়তে বৃহস্পতিবাৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে শদিয়াৰ সদৰ চপাখোৱাস্থ মুকলি মঞ্চত এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সভাত বিধায়ক অখিল গগৈয়ে ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিজেপি দলৰ বিধায়ক বলীন চেতিয়াৰ সমালোচনাত মুখৰ হৈ পৰে। বিধায়ক বলীন চেতিয়াই সমষ্টিটোত লেখত ল'বলগীয়া একো কাম নকৰাৰ লগতে বিধানসভাত সমষ্টিটোৰ সমস্যা সন্দৰ্ভত এটা প্ৰশ্নও নকৰা বুলি কৈ সমষ্টিটোত ৰাইজৰ দলৰ প্ৰাৰ্থীক টিকেট প্ৰদানৰ ইংগিত দিয়ে। ৰাইজৰ দল ক্ষমতালৈ আহিলে কেনেদৰে কাম-কাজবোৰ আগবঢ়াই নিব সেই সম্পৰ্কেও ৰাইজক অৱগত কৰে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে। শিৱসাগৰৰ বিধায়কগৰাকীয়ে আগন্তুক ৰঙালী বিহুৰ পাছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱা কাৰ্যৰ বিৰোধিতা কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে শালি ধানৰ খেতিৰ সময়তে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি অসমীয়া ৰাইজক প্ৰধান খেতিটোৰ পৰা আঁতৰাই ৰখাৰ কৌশল ৰচনা কৰিছে। ই অসমৰ অৰ্থনীতিত গুৰুতৰ প্ৰভাৱ পেলোৱাটো নিশ্চিত। সভাত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ সন্দৰ্ভত মন্তব্য কৰি অখিল গগৈয়ে কয় যে, বিজেপি চৰকাৰখনে বিনাদোষত এগৰাকী জ্যেষ্ঠ সাংবাদিকক গ্ৰেপ্তাৰ কৰি গণতন্ত্ৰক কুঠাৰাঘাত কৰিছে। দুৰ্নীতিৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা সাংবাদিকে বেংকৰ বিষয়াক প্ৰশ্ন কৰাৰ বাবে এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰাটো কিমান যুক্তিযুক্ত, সেয়া ৰাইজে নিশ্চয় বিচাৰ কৰিব। সভাত অঞ্চলটোৰ ডেৰ শতাধিক পুৰুষ-মহিলাই ৰাইজৰ দলত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত যুৱচামৰ প্ৰাধান্যই বিশেষ তাৎপৰ্য বহন কৰিছে।


Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# অভয়াপুৰীৰ পিৰাধৰাত নামাজক কেন্দ্ৰ কৰি ৰক্তাক্ত পৰিস্থিতি

**ই-সংবাদ, অভয়াপুৰী, ২৮ মাৰ্চঃ** পবিত্ৰ ৰমজান মাহ চলি থকাৰ মাজতে আজি শুকুৰবৰীয়া নামাজক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ অভয়াপুৰী পিৰাধৰাত ৰক্তাক্ত পৰিস্থিতি সৃষ্টি হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অভয়াপুৰীৰ নিকটৱৰ্তী পিৰাধৰা দ্বিতীয় খণ্ড তথা পাগলাপাৰা মছজিদত আজি শুকুৰবৰীয়া নামাজৰ সময়ত এটা ফৈদে আন এটা ফৈদক নামাজ আদায়ত বাধা প্ৰদান কৰে। এই লৈ দুয়োটা ফৈদৰ মাজত প্ৰথমতে তৰ্কা-তৰ্কিৰ সৃষ্টি হয়। পাছলৈ উক্ত তৰ্কা-তৰ্কিয়ে মাৰপিটলৈ পৰ্যবেসিত হোৱাত মছজিদত ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, একাংশ লোকে হাতে-হাতে লাঠী, দা, ৰ'ড আদি চোকা অস্ত্ৰেৰে আক্ৰমণ কৰাৰ ফলত আন ফৈদৰ ১৫ জন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত ততাতয়াকৈ আৰক্ষীৰ লোক উপস্থিত হোৱাৰ লগতে আহতসকলক অভয়াপুৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইপিনে, আহতই অভিযোগ কৰা মতে, কৰিম ভূঞা, শিক্ষক চিদ্দিক হাফেজ, ঠিকাদাৰ আমিনুলৰ নেতৃত্বত এটা ফৈদে চোকা অস্ত্ৰেৰে আনটো ফৈদৰ নামাজীক আক্ৰমণ কৰে।

# বৰপেটাৰোড প্ৰেছ ক্লাবৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, বৰপেটাৰোড, ২৮ মাৰ্চঃ** বৰপেটাৰোড প্ৰেছ ক্লাবৰ দ্বি-বাৰ্ষিক অধিৱেশনখন বৃহস্পতিবাৰে দিনজোৰা কাৰ্যসূচীৰে বৰপেটাৰোড প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। কাৰ্যসূচীৰ অন্তত সন্ধিয়া অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত সভাপতিত্ব কৰে প্ৰেছ ক্লাবৰ সভাপতি ডঃ ৰূপঞ্জিত দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰেছ ক্লাবৰ সম্পাদক ধ্ৰুৱ জ্যোতি নাথে। সভাৰ আৰম্ভণিতে সাংবাদিক প্ৰয়াত জয়ন্ত কুমাৰ দাস আৰু মহম্মদ শিকদাৰৰ প্ৰতি শোক প্ৰকাশ কৰি দুই মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। বিগত বৰ্ষৰ হিচাপ-নিকাচ দাখিল কৰাৰ পিছত প্ৰেছ ক্লাবৰ আন্তঃগাঁথনি, আদি বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰাৰ অন্তত সৰ্বসন্মতিক্ৰমে আগন্তক দ্বি-বৰ্ষৰ বাবে সভাপতি হিচাপে ডঃ ৰূপঞ্জিত দাস, কাৰ্যকৰী সভাপতি হিচাপে অৰূপ বায়ন, উপ-সভাপতি হিচাপে ধ্ৰুৱ জ্যোতি নাথ আৰু সম্পাদক হিচাপে অলকেশ বায়নক লৈ ২১ জনীয়া এখন শক্তিশালী কমিটী গঠন কৰা হয়।




# পি এম শ্ৰী ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ ভিৰ

**ই-সংবাদ, নলবাৰী, ২৮ মাৰ্চঃ** মানৱ সভ্যতাৰ বিকাশ আৰু স্থায়িত্ব প্ৰদান কৰাৰ মুখ্য জ্ঞান মন্দিৰটোৱে হ'ল বিদ্যালয়। দেশ স্বাধীন হোৱাৰ পিছতে ১৯৪৯ চনত নলবাৰী জিলাৰ পূব প্ৰান্তৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ কেইবাগৰাকী বিদ্যানুৰাগী তথা বিশিষ্ট সমাজকৰ্মীৰ প্ৰচেষ্টাত স্থাপিত হৈছিল ঐতিহ্যমণ্ডিত ঘগ্ৰাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়। এতিয়া নলবাৰী জিলাৰ ভিতৰতে সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা অসমীয়া আৰু বড়ো মাধ্যমৰ বিদ্যালয় হিচাপে পৰিগণিত হৈছে শিক্ষানুষ্ঠানখন। অৱশ্যে পূৰ্বৰ ঘগ্ৰাপাৰ হাইস্কুলৰ পৰিৱৰ্তে শিক্ষা বিভাগে এতিয়া পি এম শ্ৰী ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয় হিচাপে নামকৰণ কৰিছে। উল্লেখ্য যে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ চাৰিওফালে ইতিমধ্যে অসমীয়া আৰু ইংৰাজী ভাষাৰ বেচৰকাৰী বিদ্যালয় গঢ়ি উঠাৰ পিছতো ৭৪ বছৰীয়া ঐতিহ্যমণ্ডিত ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ত প্ৰতি বছৰে অভিভাৱকসকলে নিজৰ সন্তানক পঢ়ুৱাবলৈ ভিৰ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া শিক্ষা, বিনামূলীয়া সাজপাৰ, কিতাপ বহী, মধ্যাহ্ন ভোজন, চাইকেল আদি যোগান ধৰাৰ উপৰি চৰকাৰে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত স্থান প্ৰাপক তথা উৰ্ত্তীণক চৰকাৰীভাৱে পুৰস্কাৰ প্ৰদানৰ উপৰি বিভিন্ন ঐতিহাসিক ঠাই ভ্ৰমণ কৰোৱায়। ইফালে, চৰকাৰী বিদ্যালয়ত উচ্চ শিক্ষিত শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰাত অভিভাৱকসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক চৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ আগ্ৰহী হৈ উঠিছে। যাৰ ফলত চৰকাৰী মাধ্যমৰ বিদ্যালয়ত ক্ৰমাগতভাৱে শিক্ষাৰ্থীৰ সংখ্যা বছৰ বছৰ ধৰি বৃদ্ধি পাই আহিছে। বিশেষকৈ ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ত নিজৰ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাবলৈ এই কেইদিন প্ৰ-পত্ৰ বিচাৰি বিদ্যালয়ত শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলে দীঘলীয়া শাৰী পাতি থকা পৰিলক্ষিত হৈছে। যিকোনো উপায়েৰে নিজৰ সন্তানক নামভৰ্তি কৰাবলৈ প্ৰধান শিক্ষক অনিল শৰ্মা আৰু বিদ্যালয়খনৰ পৰিচালনা তথা উন্নয়ন সমিতিৰ সভাপতি বীৰেন্দ্ৰ কলিতাসহ অন্যান্য সদস্য সকলক অনুৰোধ জনাই আহিছে। উল্লেখ্য যে সদ্য ঘোষিত গুণৎসৱৰ ফলাফল অনুসৰি ঘগ্ৰাপাৰ মাধ্যামিক বিদ্যালয়ে বি গ্ৰেড পাবলৈ সক্ষম হৈছে। আনহাতে, ২০২৫-২৬ বৰ্ষত নতুন নামভৰ্তিৰ ষষ্ঠ শ্ৰেণীৰ বাবে আজি পি এম শ্ৰী ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা বাছনি পৰীক্ষাত প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। আনহাতে, নৱম শ্ৰেণীত নামভৰ্তি কৰিবলৈ ৫০ গৰাকীয়ে বাছনি পৰীক্ষাত অৱতীৰ্ণ হয়। ফলত বিদ্যালয়খনত নতুন আৰু পুৰণি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এক হাজাৰো অধিক হ'ব বুলি জানিব পৰা গৈছে। কিন্তু শ্ৰেণী কোঠাৰ অভাৱত এতিয়া বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতি বিমোৰত পৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিদ্যালয়খনৰ উন্নয়নৰ বাবে উত্তৰ পূব বিশেষ আন্তঃগাৰ্থনি উন্নয়ন আঁচনিৰ অধীনত অসম চৰকাৰে ৮ কোটি টকাৰ আঁচনিধাৰ্য কৰে। ইতিমধ্যে নতুন গৃহ নিৰ্মাণৰ বাবে নলবাৰী সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিগত বৰ্ষত আধাৰশিলা স্থাপন কৰাৰ পিছতে নতুন গৃহ নিৰ্মাণৰ বাবে পুৰণি গৃহসমূহ ভাঙি দিবলগীয়া হৈছে বাবে শ্ৰেণীকোঠাৰ অভাৱত নতুন সমস্যাই দেখা দিছে। উল্লেখ্য যে শিক্ষা বিভাগৰ নীতি নিৰ্দেশনা মৰ্মে পূৰ্বৰ ঘগ্ৰাপাৰ ছোৱালী হাইস্কুল খন ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ত একত্ৰিকৰণ হোৱা বাবে পুনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পুনৰ বৃদ্ধি পায়। ইপিনে, নতুন গৃহ নিৰ্মাণৰ বাবে সম্প্ৰতি বিগত এক বছৰে পূৰ্বৰ ছোৱালী হাইস্কুলত অশেষ কষ্টৰে পাঠদান চলাই থকা পৰিলক্ষিত হৈছে। অৱশ্যে এবছৰৰ ভিতৰত দুমহলীয়া গৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পৰৱৰ্তী সময়ত অধিক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিব পাৰিব বুলি বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল শৰ্মা আৰু বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ কলিতাই জানিবলৈ দিয়ে।

# অখণ্ড ভাগৱত পাঠে মাকুমত আধ্যাত্মিক পৰিৱেশৰ বাৰ্তা বহন কৰিছে

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৮ মাৰ্চঃ** উদ্যোগ নগৰী মাকুমৰ ৰাজহুৱা নামঘৰত যোৱা ২৬ মাৰ্চৰ পৰা আৰম্ভ হৈছে চাৰিদিনীয়া অখণ্ড ভাগৱত পাঠ। মাকুমত প্ৰথমবাৰৰ বাবে আয়োজন কৰা কৰা অখণ্ড ভাগৱত পাঠৰ ধ্বনিত বৃহত্তৰ মাকুম অঞ্চলটোত এক আধ্যাত্মিকতাৰ বা বলিছে। এই উপলক্ষে অতুল চন্দ্ৰ বৰাক সভাপতি, অনন্ত ফুকনক কাৰ্যকৰী সভাপতি আৰু হিমাংক ডেকাক সম্পাদকৰূপে লৈ গঠিত এক বৃহৎ সমিতিয়ে সুন্দৰকৈ কাম কৰি আছে। ২৬ মাৰ্চৰ পুৱা ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীশ্ৰীবনগঞা সত্ৰৰ পৰিচালক শান্তনু গোস্বামীয়ে। উক্ত দিনা নাম প্ৰসংগৰে অখণ্ড ভাগৱতৰ শুভাৰম্ভ কৰে নামাচাৰ্য প্ৰেম নাৰায়ণ গোস্বামীয়ে। অখণ্ড ভাগৱতৰ পাঠেকী ৰূপে অংশগ্ৰহণ কৰিছে শান্তনু গোস্বামী, প্ৰেম নাৰায়ণ গোস্বামী, অনিল বৰুৱা, সিদ্ধাৰ্থ চুতীয়া, পলাশ চুতীয়া, ৰজত বৰা, ৰাজকুমাৰ বৰা, অনিল ক'ল, সুনীল দত্ত, আকাশ কোঁৱৰ, জোনমণি চেতীয়া আৰু ডম্বৰু বৰাই। ২৯ মাৰ্চৰ সামৰণি অনুষ্ঠানত নিশা বিদ্যুৎ বিকাশ বৰাৰ পৰিচালনাৰে স্থানীয় শিশুসকলৰ দ্বাৰা পৰিৱেশিত ভাওনা 'পাৰিজাত উপাখ্যান আৰু নৰকাসুৰ বধ' প্ৰদৰ্শন কৰা হ'ব। মাকুম ৰাজহুৱা নামঘৰে আয়োজন কৰা অখণ্ড ভাগৱত পাঠে মাকুমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজতো এক আধ্যাত্মিকতাৰ পৰিৱেশৰ সূচনা কৰিছে।

# সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈছেঃ আশ্বিক ৰাব্বানী

**ই-সংবাদ, লাহৰীঘাট ২৮ মাৰ্চঃ** জ্যেষ্ঠ সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক পুনৰ গ্ৰেপ্তাৰ সন্দৰ্ভত মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে প্ৰতিক্ৰিয়া কৰি কয় যে কেতিয়াবা ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সাংবাদিক এজনক ভাবুকি দিব, মন্ত্ৰী পীযুষ হাজৰিকাই সাংবাদিকক ভাবুকি দিব, তাৰ পিছতো কিন্তু অসম অসম আৰক্ষীয়ে বিশেষ পদক্ষেপ নোলোৱাটো ৰহস্যজনক বুলি অভিহিত কৰে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰে এপেক্স বেংকৰ অনিয়ম সন্দৰ্ভত বেংক কৰ্তৃপক্ষৰ মতামত ল'বলৈ বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ সাক্ষাৎকাৰ বিচাৰিছিল। সামান্য এটা প্ৰশ্ন কৰাৰ বাবেই সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰি এটাৰ পাছত আনটো গোচৰ জাপি দিয়া হৈছে। চৰকাৰৰ এই কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা দিছে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। এনে আক্ৰোশমূলক স্থিতিয়ে চৰকাৰৰ নিকৃষ্ট অভিসন্ধি ৰাজ্যবাসীৰ সন্মুখত স্পষ্ট কৰি তুলিছে। খোদ মুখ্যমন্ত্ৰীয়েই একাধিক ছেটেলাইট চেনেলত সাংবাদিক হিচাপে কৰ্ম সম্পাদন কৰা দিলোৱাৰ হুছেইন মজুমদাৰক সাংবাদিকেই নহয় বুলি মন্তব্য কৰিছে। এনে কাৰ্য গ্ৰহণযোগ্য নহয়। এয়া গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত আক্ৰমণ। সংবিধান, ন্যায় আৰু সত্যৰ ওপৰত বিশ্বাসী প্ৰতিজনকে দিলোৱাৰ হুছেইনৰ পক্ষত থিয় হ'বলৈ আহ্বান জনায় মুছাৰ সভাপতিগৰাকীয়ে। সাংবাদিকগৰাকীক আৰক্ষীয়ে বেআইনীভাৱে গ্ৰেপ্তাৰ কৰা ঘটনা গ্ৰহণযোগ্য নহয় বুলি অভিহিত কৰে মুছাৰ সভাপতিগৰাকীয়ে। দুৰ্নীতিৰ বিৰোধ্য শূন্য সহনশীল নীতি গ্ৰহণ কৰা বুলি কোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকসকলক নিৰাপত্তা প্ৰদানত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বুলি অভিযোগ কৰে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই স্থিতি স্পষ্ট কৰক কিহৰ বাবে অসম আৰক্ষীয়ে এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰিব, নিৰপেক্ষ বাতৰি পৰিৱেশন কৰাটো কাল হ'ল নেকি? গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত অসম আৰক্ষীৰ এনে আক্ৰমণাত্মক মনোভাবক গৰিহণা দিয়ে আৰু সাংবাদিকগৰাকীক অতিশীঘ্ৰে মুকলি কৰি দিবলৈ দাবী জনায় আশ্বিক ৰাব্বানীয়ে।

# কামৰূপত নাৰ্কো ক'ৰ্ডিনেশ্যন চেণ্টাৰ কমিটিৰ সভা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৮ মাৰ্চঃ** কামৰূপ জিলাৰ জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰ্ডিনেশ্যন চেণ্টাৰ কমিটিৰ এখন সভা ২৭ মাৰ্চত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত জিলাখনত অনুজ্ঞা-পত্ৰবিহীন ফাৰ্মাচীৰ নিয়ন্ত্ৰণ, নিচাযুক্ত সামগ্ৰী প্ৰচলন ৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনত থকা নিচামুক্তি তথা পুনঃসংস্থাপন কেন্দ্ৰসমূহৰ পঞ্জীয়ন তথা পৰিচালনা ব্যৱস্থা সূক্ষ্মভাৱে নিৰীক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে জিলা আয়ুক্তগৰাকীয়ে কৃষি বিভাগক জিলাখনৰ কৃষিভূমিৰ লগতে আন অঞ্চলসমূহ কোনো কাৰণতে যাতে নিচাযুক্ত সামগ্ৰীৰ উৎপাদন বা খেতিৰ বাবে ব্যৱহাৰ নহয় তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে। সভাত আৰক্ষী বিভাগৰ তৰফৰপৰা জিলাখনত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে চলিত মাহত ৮ টা গোচৰ ৰুজু কৰা আৰু ১৩ জন লোকক গ্ৰেপ্তাৰ কৰা বুলি প্ৰতিবেদন দাখিল কৰে। লগতে অভিযানকালত ৪৯৪.৬৪ গ্ৰাম হেৰইন, ৮০৮.৭১ গ্ৰাম গাঞ্জাকে ধৰি কফ চিৰাপ আৰু নিচাযুক্ত টেবলেট জব্দ কৰিবলৈ সক্ষম হোৱা বুলিও উল্লেখ কৰে। একেদৰে চলিত মাহত জিলাখনত অনুজ্ঞা-পত্ৰবিহীন ঔষধ বিক্ৰেতা প্ৰতিষ্ঠানৰ বিৰুদ্ধে অভিযান চলাই ৩ খন অনুজ্ঞা-পত্ৰবিহীন ঔষধ বিক্ৰী কৰা প্ৰতিষ্ঠান বন্ধ কৰা আৰু ২ খনৰ অনুজ্ঞা-পত্ৰ বাতিলৰ বাবে পৰামৰ্শ দিয়া হৈছে বুলি ঔষধ পৰিদৰ্শকে উল্লেখ কৰে। সভাত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞা, অতিৰিক্ত আৰক্ষী অধীক্ষক সোমালীন শুভদৰ্শিনী, ৰঙিয়াৰ সম জিলা আয়ুক্ত দেৱাশিস গোস্বামী, সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্য, যুটীয়া স্বাস্থ্য সেৱাৰ সঞ্চালক ডাঃ অজিত দাস, জিলা ঔষধ পৰিদৰ্শক উপস্থিত থাকে।

# সমুদ্ৰ বৰদলৈলৈ নৱসৃষ্টিৰ 'মঞ্চসূৰ্য' বঁটা

**ই-সংবাদ, পুৰণিগুদাম, ২৮ মাৰ্চঃ** অপেছাদাৰী নাট্য অনুষ্ঠান নৱসৃষ্টিয়ে ২০০৮ চনৰপৰাই অসমৰ সাংস্কৃতিক জগতখনত অনবদ্য অৱদান আগবঢ়াই আহিছে। বিশেষকৈ বিগত দিনত শিশুসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ উদ্দেশ্যে শিশুসকলৰ মাজত বিভিন্ন কৰ্মশালা আয়োজন কৰি আহিছে। ইয়াৰ লগতে বিভিন্ন নাট প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰিও নৱসৃষ্টিয়ে বিভিন্ন বাটৰ নাট প্ৰদৰ্শনেৰে ৰাইজৰ মাজত সজাগতাৰো সৃষ্টি কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো নৱসৃষ্টিয়ে দ্বি-বাৰ্ষিকীভাৱে অসমৰ অপেছাদাৰী মঞ্চৰ এজন নাট্যযুদ্ধাক



মঞ্চসূৰ্য বঁটা প্ৰদান কৰাৰ বাবে মনস্থ কৰিছে। ২০২৫-২৬ বৰ্ষৰ বাবে নৱসৃষ্টিৰ পৰিয়ালে বিশিষ্ট অভিনেতা সমুদ্ৰ বৰদলৈক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২৪ জুলাইত পুৰণিগুদামৰ ড০ ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগা নাট্যসন্ধ্যা অনুষ্ঠানটিত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব। লগতে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলগীয়া নাট্যসন্ধ্যাত জ্যোতিপ্ৰসাদ ভূঞাৰ পৰিচালনাৰে মকৰাজাল, সীমান্ত কলিতাৰ ৰচনা-পৰিচালনাৰে বিশ্বলতা- এক অজ্ঞাত সুগন্ধি, এলিয়েন আহিছে আৰু মিণ্টু কলিতাৰ পৰিচালনাৰে চন্দ্ৰলৈ যাম ভোজ-ভাত খাম নাটককেইখন মঞ্চস্থ হ'ব। উল্লেখ্য যে নৱসৃষ্টিয়ে প্ৰতি দুবছৰৰ মূৰে-মূৰে অসমৰ অপেছাদাৰী নাট্যজগতৰ একোজনকৈ যোদ্ধাক মঞ্চসূৰ্য বঁটা প্ৰদান কৰি আহিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দুদিনীয়াকৈ অনুষ্ঠিত দৰং পেচিফিক ইউনিটৰ প্ৰাকৃতিক শিবিৰৰ সফল সামৰণি

**ই-সংবাদ, দুনী, ২৮ মাৰ্চঃ** ভাৰত চৰকাৰৰ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত, অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সহযোগত আৰু পেচিফিক ইউনিট দৰঙৰ উদ্যোগত ২৭ আৰু ২৮ মাচত দুদিনীয়া কাৰ্যসূচীৰে দৰঙৰ ঐতিহাসিক লক্ষীমপুৰ মীন মহলত প্ৰাকৃতিক শিবিৰ অনুষ্ঠিত হয়। প্ৰকৃতি শিবিৰৰ কৰ্মশালাৰ প্ৰথম দিনা পুৱা ১০ বজাত ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়নৰে কাৰ্যসূচী আৰম্ভ হয়। প্ৰাকৃতিক শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে দৰং জিলা পেচিফিক ইউনিটৰ নডেল এজেন্সি তথা জিলা সমন্বয়ক বিদ্যুৎ ডেকাই। তেওঁ ভাষণত ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয় যে প্ৰকৃতিক আমি বন্ধুৰ দৰে ভাবিব লাগিব, প্ৰকৃতিৰ গছ-গছনি, নদী, বিল, পৰ্বত-পাহাৰ, জীৱ-জন্তু, চৰাই-চিৰিকতিক আমি ৰক্ষা কৰিব লাগিব, তেতিয়াহে মানুহ জীয়াই থাকিব পাৰিব। প্ৰকৃতিৰ কোনো বস্তুকে ধ্বংস নকৰিবলৈ ছাত্ৰ-ছাত্ৰীক তেওঁ আহ্বান জনায়। প্ৰাকৃতিক শিবিৰত দক্ষ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটীৰ অমিয় কুমাৰ ৰিচাৰ্চ ইনষ্টিটিউটৰ এছিছটেন্ট ধনমণি কলিতা। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক লক্ষীমপুৰ পুখুৰীটো পৰ্যবেক্ষণ কৰিবলৈ দিয়ে আৰু তাত কি কি জীৱ দেখা পালে লিখিবলৈ দিয়ে। পুখুৰীৰ পাৰত থকা বিভিন্ন গছ-গছনি, চৰাই-চিৰিকতি আদিৰ পৰা মানুহৰ কি উপকাৰ হয় তাকো বুজাই দিয়ে। গছ-গছনিয়ে আমাক জীয়াই থাকিবলৈ অক্সিজেনৰ যোগান ধৰাৰ কথা উল্লেখ কৰে। গছ-গছনি ধ্বংস নকৰি ৰোৱাৰো পৰামৰ্শ দিয়ে। বালিপোতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কামালুদ্দিন আহমেদে প্লাষ্টিক বৰ্জন কৰি বজাৰ কৰোঁতে কাপোৰৰ মোনা ব্যবহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহবান জনোৱাৰ লগতে ফাষ্ট ফুডে শৰীৰৰ অনিষ্ট কৰে বুলি কয় আৰু ছাত্ৰ-ছাত্ৰীক ফাষ্ট ফুডৰ পৰা আঁতৰি থকাৰ পৰামৰ্শ দিয়াৰ লগতে চাউলৰ সান্দহ খোৱাত গুৰুত্ব আৰোপ কৰে। আবেলি ১ বজাৰ পৰা চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ে, দ্বিতীয় স্থান লাভ কৰে লক্ষীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ে আৰু তৃতীয় স্থান লাভ কৰে জ্ঞান জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ে। কুইজত প্ৰথম স্থান লাভ কৰে জ্ঞান জোতি উচ্চ মাধ্যমিক বিদ্যালয়, দিত্বীয় স্থান লাভ কৰে শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয় আৰু তৃতীয় স্থান লাভ কৰে লক্ষীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ে। কুইজৰ অন্তত প্ৰদৰ্শনীমূলক বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হয়। নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ভাগৰ্ব ডেকাই যোগাসন, দিব্যজ্যোতি ডেকাই লোকবাদ্য, সংগীত, ছাত্ৰী সংগীতা ডেকাই আধুনিক নৃত্য আৰু ছাত্ৰী শিবানী শিৰমে আধুনিক গীত পৰিৱেশন কৰে। জ্ঞানজোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী বৃষ্টি ডেকাই আধুনিক গীত, লক্ষীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী জাহ্নবী ডেকাই নৃত্য, পুব নগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী হিয়াস্মিতা দাসে বিহু নৃত্য, বালিপোতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দলীয় নৃত্য আৰু শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰী পংকি শৰ্মাই নৃত্য পৰিবেশন কৰে। পেচিফিক ইউনিটৰ সভাপতি নাৰায়ণ চহৰীয়াৰ সভাপতিত্বত বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। সভাখনৰ আঁত ধৰে পেচিফিক ইউনিটৰ বিষয়ববীয়া আব্দুল হামিদে। সভাত প্ৰাকৃতিক শিবিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু ইকো ক্লাবৰ তত্ত্বাবধায়ক সকলকো প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সভাত পেচিফিক ইউনিটৰ কৰ্মকৰ্তা ফাৰুক হুছেইন আৰু উদয় ডেকাও উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় দৰং জিলা পেচিফিক ইউনিটৰ সমন্বয়ক বিদ্যুৎ ডেকাই।

# দিলোৱাৰ মজুমদাৰক গ্ৰেপ্তাৰৰ বিৰুদ্ধে দেশৰ ৰাজধানী দিল্লীত প্ৰতিবাদ

**ই-সংবাদ, গুৱাহাটী, ২৮ মাৰ্চঃ** জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে অব্যাহত আছে প্ৰতিবাদ। প্ৰথমে ২৫ মাৰ্চত নিশা গ্ৰেপ্তাৰ কৰাত ২৬ মাৰ্চত জামিন লাভ কৰিছিল যদিও ২৭ মাৰ্চত পুনৰ গ্ৰেপ্তাৰ কৰাত জাঙুৰ খাই উঠিছে সাংবাদিক সংগঠনসমূহ তথা সাংবাদিকসকল। অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ এজাহাৰৰ ভিত্তিত তথ্য চুৰিৰ গোচৰত সাংবাদিক দিলোৱাৰক পুনৰ গ্ৰেপ্তাৰ কৰাক গুৱাহাটী প্ৰেছ ক্লাৱকে ধৰি বিভিন্ন প্ৰেছ ক্লাৱে ক'লা বেজ পিন্ধি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দিল্লীতে একাংশ সাংবাদিকে প্ৰতিবাদ সাব্যস্ত কৰিছে। দিল্লীত প্ৰেছ ক্লাব অব ইণ্ডিয়া চৌহদত অসমৰ সাংবাদিকসকলৰ ক'লা বেজ পৰিধান কৰি মৌন প্ৰতিবাদ সাব্যস্ত কৰিছে। গুৱাহাটী প্ৰেছ ক্লাৱৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দিল্লীস্থিত অসমৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি মৌন প্ৰতিবাদ সাব্যস্ত কৰে। দিলোৱাৰ হুছেইনক বাৰে বাৰে গ্ৰেপ্তাৰ কৰা কাৰ্যৰ বিৰোধিতা কৰি সাংবাদিকজনক




সোনকালে মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰিছে। দিল্লীত কৰ্মৰত অসমৰ সাংবাদিকসকলে কয় যে জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে আমি প্ৰেছ ক্লাব অব ইণ্ডিয়াত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কৰিছো। তেওঁক বিনাচৰ্তে মুকলি কৰি দিয়ক চৰকাৰে। চৰকাৰে সাংবাদিকৰ মুখ বন্ধ কৰাৰ প্ৰয়াস কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# দদৰাৰ পাকোৰকোণাস্থিত ইটাভাটাত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত এজন নিহত

## শিশু-মহিলাসহ ১৬ গৰাকীৰো অধিক অগ্নিদগ্ধ, জিএমচিএইচত মৃত্যুৰে যুঁজিছে বহুজনে

**ই-সংবাদ, গুৱালকুছি, ২৮ মাৰ্চঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰী-আলিকাষৰ পাকোৰকোণাস্থিত এফ এন বি ইটা উদ্যোগত কালি সন্ধিয়া চিলিণ্ডাৰ বিস্ফোৰণ হৈ সংঘটিত হোৱা অগ্নিকাণ্ডত কেইবাগৰাকীও পুৰুষ-মহিলাসহ এটি পানী কেচুৰা অগ্নিদগ্ধ হৈ চিকিৎসালয়ত ভৰ্তি হৈ থকা ঘটনাই আজিও আতংকিত হৈ আছে এফ এন বি ইটা উদ্যোগত কৰ্মৰত শ্ৰমিকসকল। ইয়াৰে এগৰাকী শ্ৰমিকৰ চিকিৎসাধীন অবস্থাত মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, দিনটো কঠোৰ পৰিশ্ৰমৰ অন্তত ৰমজান মাহ চলি থকাৰ বাবে ইফটাৰ কৰিবলৈ আবু চামা নামৰ শ্ৰমিকগৰাকীয়ে বাস কৰা সৰু কোঠাটোত পত্নী মফিদা খাতুনে সন্ধিয়াৰ আহাৰ প্ৰস্তুত কৰিবলৈ যোৱাৰ সময়তে চিলিণ্ডাৰটোৰ পৰা গেছ নিগৰিত হৈ থকাত হঠাতে চিলিণ্ডাৰত জুই লাগি ভয়ানক বিস্ফোৰণ হৈ অগ্নিকাণ্ড সংঘটিত হয়। ফলত নিমিষতে শ্ৰমিক থকা কোঠাত জুয়ে আগুৰি ধৰাৰ লগতে জুই বিয়পি পৰে সমগ্ৰ অঞ্চলটোত। এই অগ্নিকাণ্ডত গুৰুতৰভাৱে অগ্নিদগ্ধ হয় ১৬ গৰাকী পুৰুষ-মহিলাসহ এটি পানী কেঁচুৱাৰ লগতে এটি ১০ বছৰীয়া শিশুও অগ্নিদগ্ধ হয়। স্থানীয় ৰাইজে হাজো অগ্নিনিৰ্বাপণ বাহিনীক খবৰ দিয়াত হাজো অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত জুই নুমুৱাবলৈ সক্ষম হয়। আনহাতে, অতি সংকটজনক অৱস্থাত আটাইকেই শ্ৰমিকক কেইবাখনো এম্বুলেন্সেৰে প্ৰথম অৱস্থাত চাংসাৰিস্থিত এমইছলৈ নিয়ে যদিও পিছত নিশাই অগ্নিদগ্ধ আটাইকেইজন শ্ৰমিকক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ প্ৰেৰণ কৰে। অগ্নিদগ্ধ হোৱা শ্ৰমিকসকল হৈছে আবু চামা (৩৫ ), মফিদা খাতুন (২৫), তৰাব আলী (২৭), তৰাব আলীৰ তিনি মহীয়া এটি পানী কেঁচুৰা, বাৰেক আলী (১৭), ৰহমত আলী (১০), ভানু বেবী (৩৫), মজিবৰ আলী(১৭), নাহিলা বেবী(৩৫), জেহৰুল শ্বেখ(২০), নিলিমা খাতুন (৩০), নজৰুল আলী(৩০), মমিৰ হুছেইন(১৯), মফিজুদ্দিন আহমেদ(১৬)। ইয়াৰ ভিতৰত বাৰেক আলী(১৭), ৰহমত আলী (১০), নহিলা বেবী(৩৫), মজিবৰ আলী(১৭), নীলিমা খাতুন(৩০) সংকটজনক অৱস্থাত জি এম চি এইচত চিকিৎসাধীন হৈ আছে। আনহাতে, দুৰ্ভগীয়া পানী কেঁচুৱাটিৰ পিতৃ তৰাব আলীৰ আজি চিকিৎসাধীন অৱস্থাত চিকিৎসালয়ত মৃত্যু হয়। এফ এন বি ইটা উদ্যোগৰ শ্ৰমিক তৰাব আলীৰ ঘৰ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ পূব মৰা গন্ধচৰত। বৰ্তমানেও শ্ৰমিকজনৰ পত্নী আৰু তিনিমহীয়া শিশুটি চিকিৎসাধীন হৈ আছে জি এম চি এইচত। উল্লেখ্য যে, গুৱাহাটীৰ গাড়ীগাঁও নিবাসী কলিমউদ্দিন নামৰ ব্যক্তিগৰাকীৰ পাকোৰকোণাস্থিত এফ এন বি ইটা উদ্যোগত কৰ্মৰত শ্ৰমিকসকলৰ বাবে থকা ঠাইসমূহ যথেষ্ট ঠেক আৰু পথসমূহো সৰু হোৱাৰ বাবেই হতাহতৰ সংখ্যা অধিক হোৱা বুলি ৰাইজে মন্তব্য কৰিছে। আনহাতে, নিশাই ঘটনাস্থলীত দদৰা আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে কামৰূপৰ অতিৰিক্ত আৰক্ষী বিষয়া কল্যাণ পাঠককে আদি কৰি কামৰূপ দুৰ্যোগ প্ৰশমন বিভাগৰ বিষয়া ৰাজীৱ বৰুৱা, হাজো ৰাজহ চক্ৰ বিষয়া আদি ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়।

# আৰিমত্ত গড়ৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ পদক্ষেপ বিধায়ক ভবেশ কলিতাৰ

**ই-সংবাদ, ৰঙিয়া, ২৮ মাৰ্চঃ** ইতিহাস প্ৰসিদ্ধ আৰিমত্ত গড়ৰ অস্তিত্বৰ প্ৰতি ভাবুকি অহাৰ সময়ত ঐতিহাসিক গড়টোৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ পদক্ষেপ হিচাপে বিধায়কগৰাকীয়ে আজি ৰঙিয়াৰ তুলসীবাৰীত ভুমি পোতা আৰু গছপুলি ৰোপণৰ পদক্ষেপ গ্ৰহণ কৰে। সেই উদ্দেশ্যে আয়োজন কৰা মাংগলিক পৰিৱেশত আধাৰশিলা স্থাপন কৰে বিধায়কগৰাকীয়ে। মাহতলী কালি মন্দিৰৰ পৰা তুলসীবাৰী গড় আলিলৈ ১৮ লাখ ৯৪ হাজাৰ ৪৯৪ টকা ব্যয় সাপেক্ষে ঐতিহাসিক গড়টোৰ সংৰক্ষণৰ প্ৰাথমিক পদক্ষেপ গ্ৰহণ কৰা হয়। আনহাতে, ইয়াৰ সমান্তৰালভাৱে তুলসীবাৰী লাচিত জ্যোতি সংঘৰ সভাগৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে বিধায়কগৰাকীয়ে। বিধায়কগৰাকীৰ সমষ্টি উন্নয়নৰ আচুতীয়া পুঁজিৰ অধীনত ৭ লাখ টকা ব্যয় সাপেক্ষে সভাগৃহটি নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ



কৰে। লাচিত জ্যোতি সংঘৰ সভাপতি কনক ভূঞাৰ সঞ্চালনাত তদুপলক্ষে আয়োজিত কাৰ্যসূচীত বিজেপি দলীয় নেতা নৰেন তালুকদাৰ, ৰঙিয়া আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী শিপ্ৰা দাস, বৈদ্যগড় গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি দুলু ভূঞা প্ৰমুখ্যে আন ভালে সংখ্যক লোক উপস্থিত থাকে।

# সাংবাদিক নিগ্ৰহৰ বিৰুদ্ধে ৰঙিয়াত প্ৰতিবাদ



**ই-সংবাদ, ৰঙিয়া, ২৮ মাৰ্চঃ** দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে আজি ৰঙিয়াত সাংবাদিকসকলে ক'লা বেজ পৰিধানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। ৰঙিয়া প্ৰেছ ক্লাব প্ৰাংগণত সভাপতি জিতেন্দ্ৰ জাজোডিয়া আৰু সম্পাদক ফাৰুক হুছেইনৰ নেতৃত্বত সাংবাদিকসকলে সমবেত হৈ অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ জৰিয়তে সাংবাদিকগৰাকীৰ বিৰুদ্ধে ৰুজু কৰা গোচৰ প্ৰত্যাহাৰ কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰে।

### মোৰ খং উঠিব নালাগিছিল বুলি কৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰকক দিলে অব্যাহতি

# অৱশেষত ছাত্ৰ সমাজৰ ওচৰত সেও মানিলে উপাচাৰ্য ননীগোপাল মহন্তই

**ই-সংবাদ, গুৱাহাটী, ২৮ মাৰ্চঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত বৃহস্পতিবাৰে ছাত্ৰ-ছাত্ৰীসকলৰ তীব্ৰ প্ৰতিবাদে উত্তপ্ত পৰিৱেশ সৃষ্টি কৰে। পৰীক্ষা নিয়ন্ত্ৰক ড০ কন্দৰ্প শৰ্মাৰ বিৰুদ্ধে শিক্ষাৰ্থীৰ প্ৰতি দুৰ্ব্যৱহাৰৰ অভিযোগ তুলি তেওঁক কামৰ পৰা অব্যাহতি দিয়াৰ দাবীত উপাচাৰ্য ড০ ননী গোপাল মহন্তৰ কাৰ্যালয়ৰ সন্মুখত শিক্ষাৰ্থীসকলে প্ৰতিবাদ কৰিছিল। প্ৰতিবাদকাৰীসকলে উপাচাৰ্যক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সিদ্ধান্ত ল'বলৈ দাবী জনাইছিল। যাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই ড০ শৰ্মাক ৭ দিনৰ বাবে সাময়িকভাৱে অব্যাহতি দিয়াৰ লগতে ঘটনা তদন্তৰ বাবে কমিটি গঠন কৰে। স্নাতকোত্তৰ ছাত্ৰ সন্থা আৰু আইন মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ অভিযোগ মতে ড০ শৰ্মাই শিক্ষাৰ্থীসকলৰ সৈতে প্ৰায়ে অভব্য আচৰণ কৰে। এই অভিযোগৰ প্ৰতিবাদত ছাত্ৰসকলে উপাচাৰ্যৰ কাৰ্যালয়ৰ সন্মুখত জমা হৈ প্ৰতিবাদ কৰিছিল। কিন্তু উত্তেজিত ছাত্ৰসমাজৰ সৈতে সংঘাতত লিপ্ত হয় খোদ উপাচাৰ্যগৰাকী। কাৰ্যালয়ৰ বাৰান্দাত বহি ক্ষোভ প্ৰকাশ কৰে আৰু সময় দিবলৈ কয়। এই কথাকে কেন্দ্ৰ কৰি পৰিস্থিতি অধিক উত্তপ্ত হয়। ছাত্ৰসকলে প্ৰতিবাদ তীব্ৰ কৰাত বিশ্ববিদ্যালয়ে পৰীক্ষা নিয়ন্ত্ৰক ড০ শৰ্মাক ৭ দিনৰ বাবে চাকৰিৰ পৰা অব্যাহতি দিয়ে। তদন্ত কমিটি গঠন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। এই ঘটনাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক দুৰ্বলতা আৰু ছাত্ৰ-কৰ্তৃপক্ষৰ মাজৰ সম্পৰ্কৰ টনা-আঁজোৰা পুনৰ উন্মোচন কৰিছে। ইয়াৰ আগতেও বিশ্ববিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত পুৰস্কাৰ বিতৰণক লৈ সংঘাতৰ ঘটনা ঘটিছিল। য'ত ছাত্ৰাসকলৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণত লিপ্ত হৈছিল। কেইবামাহ ধৰি বিশ্ববিদ্যালয়ত ছাত্ৰই আৱাসিক সুবিধা যেনে পানী-বিদ্যুৎ সংযোগৰ অসন্তুষ্টিৰ বাবেও প্ৰতিবাদ হৈ আহিছে। উল্লেখ্য যে, কালি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে বিশ্ববিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰকৰ দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ছাত্ৰ সমাজে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। প্ৰতিবাদৰ সময়ত কোঠাৰ পৰা ওলাই আহি উপাচাৰ্য ড০ ননীগোপাল মহন্তই ছাত্ৰসকলক বুজনি দিয়াৰ পৰিৱৰ্তে মাটিত বহি হৈ-হাল্লা কৰাহে দেখা গৈছিল। মাটিত বহি মোক মাৰিবা নেকি বুলি দম্ভ দেখুওৱা পৰিলক্ষিত হয়। মোক মাৰা, মোক মাৰা বুলি চিঞৰি খোদ উপাচাৰ্যই ছাত্ৰ সমাজক উত্তেজিত হ'বলৈ বাধ্য কৰোৱা পৰিলক্ষিত হৈছিল। উপাচাৰ্যই তেনে আচৰণ কৰাৰ পিছতে পুনৰ বিশ্ববিদ্যালয় চৌহদ উত্তপ্ত হৈ পৰে। প্ৰতিবাদী ছাত্ৰক উপাচাৰ্যগৰাকীয়ে কয় যে মোৰ সৈতে এইবোৰ নচলিব। দুৱাৰত কোনে ঢকিয়াইছে। এজন ছাত্ৰক ফেফেৰি পতা দেখি নিজৰ বুকুত থপৰিয়াই থপৰিয়াই মোৰ সৈতে এইবোৰ নচলিব বুলি কয়। তোমালোকে ১০ মিনিট সময় দিব নোৱাৰা যদি মোক মাৰা বুলি হৈ-হাল্লা কৰে ড০ ননীগোপল মহন্তই। জানিব পৰা মতে, গুৱাহাটী বিশ্ববিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰকে ছাত্ৰ-ছাত্ৰীক প্ৰায়ে দুৰ্ব্যৱহাৰ কৰি আহিছে। বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থা উত্তেজিত হয়। ছাত্ৰ সমাজে বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক কন্দৰ্প শৰ্মাৰ অপসাৰণৰ দাবী জনায়। প্ৰতিবাদী ছাত্ৰৰ সন্মুখত উপাচাৰ্য ড০ ননীগোপাল মহন্তই কৰা আচৰণে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এগৰাকী উচ্চ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ যদি এনে আচৰণ হয় তেন্তে ছাত্ৰ সমাজক কেনেকৈ পৰিচালিত কৰিব বুলি চৰ্চা চলিছে। আনহাতে কালিৰ আচৰণৰ বাবে আজি ক্ষমা খোজে উপাচাৰ্য ড০ মহন্তই। তেওঁ কয় যে প্ৰশাসনিক সিদ্ধান্ত লওঁতে সময় লাগে। কথাখিনি পাতোতে এটা প্ৰক্ৰিয়া হয়। ল'ৰা-ছোৱালী কেতিয়াবা উগ্ৰ হয়। মই সকলোকে বেয়া পোৱা নাই। কিন্তু মোৰ দুৱাৰত ঢকিয়ালে। মোৰ আলহী আছিল। তেতিয়া মোৰ অলপ খং উঠিল। খং উঠিব নালাগিছিল। সেই উদ্ভাগুলি মই ভাল নাপাও। মই দুখ প্ৰকাশ কৰিছো। আমি ল'ৰা-ছোৱালীৰ মাজত কথা পাতি সকলো ঠিক কৰি লম।

# সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক নিন্দা শ্বিলং প্ৰেছ ক্লাবৰ

**ই-সংবাদ, গুৱাহাটী, ২৮ মাৰ্চঃ** অসমৰ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক তীব্ৰ ভাষাৰে গৰিহণা দিছে মেঘালয় প্ৰেছ ক্লাৱে। শ্বিলং প্ৰেছ ক্লাব চমুকৈ এছপিচিয়ে দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰক নিন্দা কৰি বিবৃতি জাৰি কৰিছে। মেঘালয়ৰ সৰ্ববৃহৎ সংগঠনটোৱে এক বিবৃতিত কয় যে ক্ৰছকাৰেণ্ট ডিজিটেল মিডিয়া সংগঠনৰ মুখ্য প্ৰতিবেদক মজুমদাৰক প্ৰথমে ২৫ মাৰ্চত নিশা গ্ৰেপ্তাৰ কৰা হৈছিল। ২৬ মাৰ্চত জামিন দিয়া হৈছিল যদিও ২৭ মাৰ্চত পুনৰ গ্ৰেপ্তাৰ কৰিছে। অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালকে দাখিল কৰা এজাহাৰৰ ভিত্তিত পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। শ্বিলং প্ৰেছ ক্লাবৰ সভাপতি ডি এল চিয়াংছাই বিবৃতিত কয় যে জামিন মঞ্জুৰৰ পিছতে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰাৰ কাৰ্য গভীৰ আহুকলীয়া কথা। আইনী প্ৰক্ৰিয়াৰ এক আচৰিত অপব্যৱহাৰ হৈছে। এই কাৰ্যক্ৰমে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু মুক্ত মত প্ৰকাশৰ মৌলিক অধিকাৰৰ ওপৰত পোনপটীয়া আক্ৰমণ কৰিছে। মজুমদাৰৰ সৈতে অটল সংহতিৰে থিয় দিছো আৰু তেওঁৰ তাৎক্ষণিক আৰু চৰ্তহীন মুক্তিদাবী কৰিছো। মজুমদাৰৰ গ্ৰেপ্তাৰ হৈছে সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত এক স্পষ্ট আক্ৰমণ আৰু ক্ষমতাত থকা ৰাজনৈতিক দলটোৰ বিৰুদ্ধে অনুসন্ধানমূলক প্ৰতিবেদনত জড়িত সাংবাদিকসকলক ভয় খুৱাবলৈ কৰা চেষ্টা। ৰাজনৈতিক শক্তিক্ষেত্ৰৰ বিৰুদ্ধে উত্থাপিত কণ্ঠস্বৰ কমাবলৈ দেশব্যাপী এনে প্ৰৱণতা দেখা গৈছে। ছিয়াংছাই আৰু কয় যে এখন গণতান্ত্ৰিক সমাজত, সংবাদ মাধ্যমসমূহে স্বচ্ছতা, দায়বদ্ধতা আৰু তথ্যৰ মুক্ত প্ৰবাহ নিশ্চিত কৰাত এক অপৰিহাৰ্য ভূমিকা পালন কৰে। বলপূৰ্বক আৰু ভাবুকিৰ জৰিয়তে এই ভূমিকা দমনৰ প্ৰয়াস গ্ৰহণযোগ্য নহয় আৰু ইয়াক দৃঢ়ভাৱে প্ৰতিৰোধ কৰিব লাগিব। আমি কৰ্তৃপক্ষক আইনৰ শাসন বজাই ৰাখিবলৈ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক সন্মান কৰিবলৈ আৰু সংবাদ মাধ্যমৰ সৈতে জড়িতসকলৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছো। যদি আমি আমাৰ গণতান্ত্ৰিক মূল্যবোধবোৰ সংৰক্ষণ কৰিব বিচাৰো তেন্তে এনে ধৰণৰ কৌশল বন্ধ হ'ব লাগিব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# দ্বিতীয়টো গোচৰত জামিন

নিশাৰে পৰা জেৰা, লগত লৈ তালাচী চলোৱাৰ পিছতে দিলোৱাৰক আজি আবেলি কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱা হয়। দিলোৱাৰৰ অধিবক্তাই জামিন আৱেদন কৰিছিল। আদালতত দিলোৱাৰৰ হৈ অংশুমান বৰাই যুক্তি দাঙি ধৰিছিল। আদালতে দুয়োপক্ষৰ যুক্ত শুনি শেষত ২০ হাজাৰ বণ্ডত জামিন প্ৰদান কৰিছে দিলোৱাৰক। কিন্তু আৰক্ষী পক্ষৰ অধিবক্তাই জনজাতীয় লোকক লক্ষ্য কৰি অপমানজনক আচৰণ-মন্তব্য কৰাত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰ ধাৰা সংপৃক্ত কৰিবলৈ পুনৰ আৰ্জি দিছিল। লগতে এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ গোচৰতো অতিৰিক্ত ধাৰা লগোৱাৰ আৰ্জি দিছিল আদালতত। কিন্তু আৰক্ষীৰ পক্ষৰ অধিবক্তাৰ যুক্ত মানি নল'লে আদালতে। কিন্তু আজি মুকলি আকাশৰ তললৈ আহিব নোৱাৰে দিলোৱাৰ। কিয়নো নথি জমা কৰাৰ সময় অতিবাহিত হোৱাত আজি ন্যায়িক জিম্মাত কেন্দ্ৰীয় কৰাগাৰত থাকিব। যদি গুৱাহাটী আৰক্ষীয়ে অন্য কোনো গোচৰ জাপি নিদি তৃতীয়বাৰৰ গ্ৰেপ্তাৰ নকৰে তেন্তে কাইলৈ মুকলি আকাশৰ তললৈ আহিব সাংবাদিক দিলোৱাৰ। ক'বলৈ গ'লে এইখন চৰকাৰৰ ৰোষৰ পৰিছে কবিতা লিখা ছাত্ৰী, দেৱালত ছবি অংকন কৰা শিল্পী। প্ৰতিবাদ কৰিলেই এইখন চৰকাৰে প্ৰতিবাদীক দমন কৰিবলৈ আৰক্ষীৰ দ্বাৰা গোচৰ তৰি গ্ৰেপ্তাৰ কৰে। এইখন চৰকাৰৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি কোনোৱেও সাৰি যাব পৰা নাই। এইবাৰ এইখন চৰকাৰৰ দিনত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি কৰা সাংবাদিকক কঠোৰভাৱে দমন কৰিবলৈ উঠি-পৰি লাগিছে। দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰিলে সাংবাদিকৰ জেল গমন এতিয়া নিশ্চিত। ভুৱা, মনেসজা আৰু ভিত্তিহীন গোচৰত সাংবাদিকক গ্ৰেপ্তাৰ কৰা দিনে-নিশাই হাৰাশাস্তি কৰা হ'ব। আদালতে এটা গোচৰত জামিন প্ৰদান কৰিলে আন গোচৰ জাপি দি বাৰে বাৰে গ্ৰেপ্তাৰ কৰি সাংবাদিকক জেললৈ প্ৰেৰণ কৰিব। অসমত এতিয়া সেই পন্থাৰে আগবাঢ়িছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। চৰকাৰৰ বিৰুদ্ধে মাত মাতিলেই গণতন্ত্ৰ আৰু সংবিধানক ভূলুণ্ঠিত কৰা হ'ব। ২৫ মাৰ্চত এপেক্স বেংকক সংঘটিত প্ৰায় ২৮ কোটি টকীয়া কেলেংকাৰীৰ বিৰুদ্ধে পাণবজাৰ কাৰ্যালয়ৰ সন্মুখত অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠনে কৰা প্ৰতিবাদৰ বাতৰি সংগ্ৰহৰ সময়তে পাণবজাৰ আৰক্ষী থানালৈ মাতি নি প্ৰায় ৯ ঘণ্টা বহুৱাই ৰাখি নিশা গ্ৰেপ্তাৰ কৰিছিল সাংবাদিক দিলোৱাৰ হুছেইনক মুজমদাৰক। ২৬ মাৰ্চত দিলোৱাৰ হুছেইনক মুজমদাৰক জামিন প্ৰদান কৰা হৈছিল যদিও ২৭ মাৰ্চত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত পুনৰ গ্ৰেপ্তাৰ কৰে পাণবজাৰ আৰক্ষীয়ে। এইবাৰ গ্ৰেপ্তাৰ কৰা হয় বেংকটোৰ পৰিচালনা সঞ্চালক ডম্বৰু শইকীয়াৰ এজাহাৰৰ ভিত্তিত। এজাহাৰত চুৰিৰ অভিযোগ আনে। ২৭ মাৰ্চত কাৰাগাৰৰ ভিতৰতে পুনৰ গ্ৰেপ্তাৰ কৰাৰ পিছতে নিশা পাণবজাৰ আৰক্ষীয়ে সাংবাদিকজনক লগত লৈ কেইবাঠাইত অভিযান চলায়। পুৱতি নিশা দিলোৱাৰ হুছেইনৰ মজুমদাৰৰ ঘোঁৰামৰাৰ প্ৰাগজ্যোতিষ হাউচিঙৰ ঘৰ, ডবকাৰ পৈতৃক ঘৰ আৰু গণেশগুৰিৰ ব্যৱসায় প্ৰতিষ্ঠানত অভিযান চলায়। আনহাতে সাংবাদিকজনক দুখন ডাম্পাৰ আৰক্ষীয়ে জব্দ কৰিছে। এবাৰ এবাৰকৈ দুবাৰ তালাচী চলাইছে গুৱাহাটীৰ ঘৰত আৰক্ষীৰ বৃহৎ দল উপস্থিত হয়। প্ৰথমে বৃহৎ আৰক্ষীৰ দলসহ উপস্থিত হৈ বহু নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষা কৰে। বহু নথি-পত্ৰ পৰীক্ষা কৰি কিছু নথি-পত্ৰ আৰক্ষীয়ে জব্দ কৰি লৈ অহা বুলি দিলোৱাৰৰ পত্নীয়ে প্ৰকাশ কৰিছে। কিন্তু দ্বিতীয়বাৰ তালাচী চলাবলৈ অহাৰ সময়ত মহিলা আৰক্ষী অবিহনে আৰক্ষীৰ দলটোৱে তালাচী চলোৱা বুলি উল্লেখ কৰিছে পত্নীয়ে। নিশা ৪ বজাত হাউচিঙত আৰক্ষীৰ দল উপস্থিত হৈ নথি-পত্ৰৰ লগতে আয়ৰ উৎস বিচাৰে। তন্ন তন্ন তালাচী চলাইলাই নথি জব্দ কৰি লৈ যায় আৰক্ষীয়ে। আৰক্ষীয়ে কেইবা ঘণ্টা ধৰি তালাচী চলাইছে। তালাচীত কি নথি-পত্ৰ উদ্ধাৰ হৈছে সেই কথা বিবৃতি যোগে জাৰি কৰা নাই আৰক্ষীয়ে। ঘোঁৰামৰাৰ ঘৰৰ পিছতে গণেশগুৰিৰ ব্যৱসায় প্ৰতিষ্ঠানত তালাচী চলাই আৰক্ষীৰ দলে। আৰক্ষীৰ দলে গণেশগুৰিৰ ব্যৱসায় প্ৰতিষ্ঠানত আৰক্ষীৰ দলটোৱে কিহৰ বাবে তালাচী চলাইছে বা তালাচীত কি তথ্য লাভ কৰিছে সেই কথা আৰক্ষীয়ে এতিয়ালৈ প্ৰকাশ কৰা নাই। ডবকাৰ পৈতৃক ঘৰতো তালাচী চলাইছে। আনহাতে দিলোৱাৰ হুছেইনৰ দুখন ডাম্পাৰ জব্দ কৰিছে আৰক্ষীয়ে। এএছ-০১-এলচি-২৬৬৬ আৰু এএছ-০২-ডিচি-০৭৬৬ নম্বৰৰ ডাম্পাৰ জব্দ কৰি চালকৰ লাইচেন্স, ফিটনেছ নথকা আৰু অধিক গতিত গাড়ী চলোৱাৰ বাবে মুঠ ১৭ হাজাৰ টকা জৰিমনা বিহিছে। কালি নিশাৰ কেন্দ্ৰীয় কাৰাগাৰত পুনৰ গ্ৰেপ্তাৰৰ পিছতে গুৱাহাটী আৰক্ষী সক্ৰিয় হৈ পৰে। বিভিন্ন প্ৰকাৰে সাংবাদিকজনক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। নিশা সাৰে ৰাখি তালাচী চোলাৰ লগতে ঘৰ আৰু ব্যৱসায় প্ৰতিষ্ঠানত অভিযানৰ লগতে ডাম্পাৰ জব্দ কৰালৈকে চৰকাৰে একেবাৰে আক্ৰোশমূলকভাৱে পদক্ষেপ লোৱাৰ অভিযোগ উত্থাপন হৈছে। তালাচী চলি থকাৰ সময়ত দিলোৱাৰ হুছেইনে সাংবাদিকক কয় যে মই আইনৰ মানুহ, মই আৰক্ষীক ১০০ শতাংশই সহায় কৰিম। ন্যায়ালয়ৰ ওপৰত আস্থা-ভৰষা আছে, ন্যায়ালয়ে সম্পূৰ্ণৰূপে মোক ন্যায় দিব। কালি নিশা দিলোৱাৰক পাণবজাৰ আৰক্ষীয়ে দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰৰ পাছতে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত সাংবাদিক সমাজে মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰিছিল। সাংবাদিক দিলোৱাৰক আক্ৰোশমূলকভাৱে গ্ৰেপ্তাৰৰ বিৰুদ্ধে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত মুখত ক'লা কাপোৰ বান্ধি সাংবাদিকে মৌন প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে দিলোৱাৰত মুক্তি দিয়াৰ দাবী উত্থাপন কৰিছিল। কেইবাটাও মিডিয়া হাউছৰ জ্যেষ্ঠ সাংবাদিকৰ সৈতে সাংবাদিকসকলে মৌন প্ৰতিবাদ সাব্যস্ত কৰি এয়া স্বৈৰাচাৰ বুলি অভিহিত কৰিছিল। অসম সমবায় এপেক্স বেংক লিমিটেডৰ পৰিচালনা সঞ্চালকৰ অভিযোগৰ ভিত্তিত পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯, ৩২৪(৪), ৩৫১(২), ৩০৯(৪) আৰু ১১৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। এজাহাৰত অভিযোগ কৰা মতে, ২৫ মাৰ্চৰ প্ৰায় ১২.৩০ বজাত দিলোৱাৰ হুছেইনে এপেক্স-অফিচৰ প্ৰথম মহলাত বেআইনীভাৱে প্ৰৱেশ কৰিছিল। বেংকৰ মূল্যৱান নথিপত্ৰ চুৰি কৰিবলৈ চেষ্টা কৰিছিল। ইপিনে মজুমদাৰৰ বিৰুদ্ধে পঞ্জীয়ন কৰা ১১০/২৫ নং গোচৰত ২৫ মাৰ্চত জামিন মঞ্জুৰ কৰিছিল আদালতে। আনহাতে সাংবাদিক মজুনদাৰক গুৱাহাটীৰ কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱা হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES

# নগাঁৱত জিমনাষ্টিকছ প্ৰতিযোগিতা আৰম্ভ

**ই-সংবাদ ক্ৰীড়া সংবাদ, নগাঁও, ২৮ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা তিনিদিনীয়াকৈ ৩৩ সংখ্যক সদৌ অসম আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতা আৰম্ভ হৈছে। অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাই জানিবলৈ দিয়ামতে, অসম জিমনাষ্টিকছ সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আয়োজন কৰা প্ৰতিযোগিতাত আজি অনুষ্ঠিত ৰিডমিকৰ এই পৰ্যন্ত হোৱা ছোৱালীৰ ছাব জুনিয়ৰ শাখাত নগাঁৱৰ আৰোহী মজুমদাৰে প্ৰথম, বৰেণ্যা বৰাই দ্বিতীয়, বিশ্বনাথৰ দ্ৰিশ্যানা শইকীয়া আৰু নগাঁৱৰ আৰাধ্যা দাসে যুটীয়াভাৱে তৃতীয়স্থান অধিকাৰ কৰিছে। কাইলৈ আৰ্টিছটিকৰ পুৰুষ আৰু মহিলাৰ কেডেট, মিনি, ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ খেলসমূহ হ'ব। প্ৰতিযোগিতাত ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোৱালপাৰা, অসম পুলিচ, বিশ্বনাথ, শোণিতপুৰ, কাৰ্বি আংলং, হোজাই, মৰিগাঁও, কামৰূপ, কামৰূপ মহানগৰ আৰু ঘৰুৱা নগাঁও জিলা দলৰ পৰা মুঠতে তিনিশৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতা আজিৰে পৰা আৰম্ভ হৈছে যদিও কাইলৈ বিয়লি আঢ়ৈ বজাতহে আনুষ্ঠানিকভাৱে শুভাৰম্ভণি ঘটিব।

# নগাঁৱত ক্ৰীড়া সংগঠকক সম্বৰ্ধনা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৮ মাৰ্চঃ** দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীৰ অসম পুলিচ জিমনাষ্টিকছ দলৰ খেলুৱৈসকলে আজি সন্ধিয়া অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাক অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক তথা সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনৰ যুটীয়া সম্পাদক পদত অধিষ্ঠিত হোৱাৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনায়। অসম পুলিচ দলৰ জিমনাষ্টিকছৰ মুখ্য প্ৰশিক্ষক, এন আই এছ, হৱিলদাৰ পাৰ্থপ্ৰতিম ভড়ালীৰ নেতৃত্বত দলটোৰ খেলুৱৈসকলে উজ্জল বৰুৱাক এই সম্বৰ্ধনা আগবঢ়াই। সেই অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাসৰ লগতে বিশিষ্ট লেখক ড° ত্ৰিদীপ কুমাৰ গোস্বামী আদি বিশিষ্ট ব্যক্তিসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।



আইপিএল ২০২৫: চিএছকে বনাম আৰচিবিৰ মেচত খেলপথাৰত বিৰাট কোহলি আৰু ৰবিন্দ্ৰ জাডেজা

## পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি নতুন মাইল ষ্ট'ন আইপিএলৰ

# প্ৰথম সপ্তাহতে ৫ হাজাৰ কোটি ভিউ অতিক্ৰম প্ৰিমিয়াৰ লীগৰ

**নতুন দিল্লী, ২৮ মাৰ্চঃ** আৰম্ভণিতে অভিলেখ! আইপিএলৰ ১৮ সংখ্যক সংস্কৰণে প্ৰথম সপ্তাহতে দৰ্শকৰ সংখ্যাৰ ক্ষেত্ৰত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে। প্ৰথম ৭ দিনত জিঅ' হটষ্টাৰ আৰু ষ্টাৰ স্প'ৰ্টছত মিলি আইপিএল চোৱা হৈছিল ৪৯.৫৬ বিলিয়ন মিনিট। যিটো এই প্ৰতিযোগিতাৰ ইতিহাসত এক নতুন মাইলৰ খুঁটি। যদিও যোৱা বছৰলৈকে ডিজনী+হটষ্টাৰত সম্প্ৰচাৰিত হৈছিল, এইবাৰ জিঅ'হটষ্টাৰত প্ৰদৰ্শিত হৈছে আইপিএল। সেইবাবেই দৰ্শকৰ সংখ্যা বিপুলভাৱে বৃদ্ধি পাইছে। পৰিসংখ্যা অনুসৰি যোৱা বছৰৰ তুলনাত চলিত বৰ্ষত জিঅ' হটষ্টাৰৰ দৰ্শকৰ সংখ্যা ৪০ শতাংশ বৃদ্ধি পাইছে। স্মাৰ্ট টিভি বা লেপটপত আইপিএল চোৱাৰ হাৰ ৫৪ শতাংশ বৃদ্ধি পাইছে। একে সময়তে সৰ্বাধিক ৩৪ নিযুত লোকে খেল উপভোগ কৰিছে। আনহাতে, ষ্টাৰ স্প'ৰ্টছতো দৰ্শকৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰথম সপ্তাহত ২৫.৩ কোটি লোকে টিভিত খেল উপভোগ কৰিছে, যিটো যোৱা বছৰৰ তুলনাত ২২ শতাংশ বেছি। এই বিপুল জনপ্ৰিয়তা টিভি আৰু ডিজিটেল মিডিয়াত আইপিএল চোৱাৰ পৰিমাণতো স্পষ্ট হৈ পৰিছে। বাৰ্কৰ তথ্য অনুসৰি কেৱল প্ৰথম তিনিখন মেচতে খেলখনৰ ২৭.৭ বিলিয়ন মিনিট টিভিত চোৱা হৈছিল, যিটো যোৱা বছৰৰ তুলনাত ৩৯ শতাংশ বৃদ্ধি। প্ৰথম সপ্তাহৰ শেষৰ ফালে জিঅ'হটষ্টাৰত ১.৩৭ বিলিয়ন দৰ্শকে খেলখন উপভোগ কৰে। প্ৰথম তিনিখন মেচ একেলগে ডিজিটেলভাৱে ২১.৮৬ বিলিয়ন মিনিট চোৱা হৈছিল। যিয়ে ক্ৰিকেটৰ জনপ্ৰিয়তাক প্ৰতিপন্ন কৰিছে। এই বিপুল সঁহাৰিৰ সন্দৰ্ভত জিঅ'ষ্টাৰৰ ক্ৰীড়া মুৰব্বী সঞ্জয় গুপ্তাই কয়, "৪,৯৫৬ কোটি মিনিটৰ পৰিসংখ্যাই দেখুৱাইছে যে এইবাৰৰ আইপিএল কিমান আড়ম্বৰ আৰম্ভ হৈছে। আমি ভৱিষ্যতেও দৰ্শকক এক উন্নত অভিজ্ঞতা প্ৰদানৰ বাবে কাম কৰি যাম।" আনহাতে জিঅ'হটষ্টাৰৰ ডিজিটেলৰ মুৰব্বী কিৰণ মণীয়ে কয়, "ভাৰতত ক্ৰীড়া আৰু মনোৰঞ্জনৰ সংজ্ঞা সলনি হৈ আছে, আৰু আইপিএলৰ জনপ্ৰিয়তাই তাৰ প্ৰমাণ। আমি দৰ্শকৰ বাবে অধিক আকৰ্ষণীয় অভিজ্ঞতা সৃষ্টি কৰিব বিচাৰো।" ক্ৰিকেটৰ এই জনপ্ৰিয়তাই নতুন অভিলেখ গঢ়িছে ভাৰতত।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি